সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ০৬ সংখ্যা, ২৫ মাঘ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 06 Date of Publication- 08 February 2026 Rs. 10.00/-

## এজন অসমীয়া হিচাপে আত্মসমৰ্পণৰ পথ স্বীকাৰ কৰিবলৈ মই বাধ্য নহয়ঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- গুৰুজনাৰ ভক্তিৰসেৰে বিধৌত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ধলাইবিল-নাহৰবাৰী পথাৰৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সাহিত্য শাখাৰ মুকলি সভাত শনিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই পবিত্ৰ উপলক্ষত অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱলৈ ভক্তিভৰা প্ৰণিপাত নিবেদন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত তেওঁ কয় যে অসমীয়া জাতিৰ প্ৰাণ-প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল সকলো গুণৰ আকৰ। গুৰুজনাৰ কৰ্মৰাজি, মাহাত্ম্য আৰু গুণাৱলীৰ পৰিসৰ অতি বিস্তৃত, বিশাল আৰু চিৰপ্ৰৱাহমান। তেৰাৰ বিশাল কৰ্মৰাজিয়ে অসমৰ সাহিত্য, সংস্কৃতি আৰু সভ্যতাক অমূল্য সম্পদ আৰু আৰু অক্ষয় ভাণ্ডাৰেৰে সমৃদ্ধ কৰিছে। জামুগুৰিহাটৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ সাংস্কৃতিক মানচিত্ৰত এক সুকীয়া স্থান দখল কৰি অহা মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এই প্ৰাচীন ভূখণ্ড বহু ঐতিহাসিক উত্থান-পতনৰ সাক্ষী। সমৃদ্ধ বৃহত্তৰ জামুগুৰিহাটৰ সমলসমূহে অঞ্চলটোৰ অতীতৰ প্ৰাচুৰ্যতাৰ কথাকে সোঁৱৰাই আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনন্য অৱদান অংকীয়া ভাওনাক আধাৰ হিচাপে লৈ জামুগুৰি অঞ্চলৰ ৰাইজে আয়োজন কৰি অহা বাৰেচহৰীয়া ভাওনাই মহাপুৰুষজনাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক আদৰ্শক উজ্জীবিত কৰাত যোৱা দুশ বছৰৰো অধিককাল ধৰি অনন্য অৰিহণা যোগাই আহিছে। এনে এক সমৃদ্ধ ভূখণ্ডত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫সংখ্যক অধিৱেশনৰ আয়োজনে গুৰুজনাৰ অৱদানৰ প্ৰতি অঞ্চলটোৱে লৈ অহা ভূমিকা পুনৰ অৱলোকনৰ সুযোগ দিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৰুজনাই দি থৈ যোৱা অমূল্য সম্পদৰাজি আগুৱাই লৈ যোৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘই প্ৰতিষ্ঠাকালৰে পৰা যি নিৰলস প্ৰয়াসত ব্ৰতী হৈ আহিছে যিটোৱে অসমৰ জাতীয় জীৱনত আধ্যাত্মিক আৰু ধৰ্মীয় চেতনা তথা সনাতন পৰম্পৰা অধিক প্ৰগাঢ় কৰিছে। গুৰুজনাই অসমীয়া জাতিটোক একতাৰ

( দুই পৃষ্ঠাত চাওক)


## মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম ২.০ৰ ধন বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যুৱ সবলীকৰণেৰে আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ লক্ষ্যৰে অসম চৰকাৰৰ 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম' অভিযান ২.০ৰ প্ৰথম কিস্তিৰ ধন বিতৰণৰ শুভাৰম্ভণি কৰা হয়। এই উপলক্ষ্যে গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজন কৰা এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ বাবে এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-২.০ৰ অধীনত ৰাজ্যৰ ৭৪, ০৩৬গৰাকী সম্ভাব্য উদ্যোগীক সামৰি লোৱা হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ১, ৪৮২ কোটি টকাতকৈও অধিক ধনৰাশি মুকলি কৰিব। এই অভিযানৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকীক দুই লাখ টকাকৈ আৰু অভিযন্তা, এমবিবিএছ, বিডিএছ তথা অন্যান্য বৃত্তিগত পাঠ্যক্ৰম গ্ৰহণ কৰাসকলক বৃত্তিগত শাখাত সামৰি প্ৰতিগৰাকীক পাঁচ লাখ টকাকৈ প্ৰদানৰ পদক্ষেপ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। এই অনুষ্ঠানৰ জৰিয়তে কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ সৰ্বমুঠ ৫, ৫৭২গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধনৰাশি আগবঢ়োৱা হৈছে। এই হিতাধিকাৰীসকলৰ ভিতৰত কামৰূপ জিলাৰ ৩, ৭১০ আৰু কামৰূপ (মহানগৰ) জিলাৰ ১, ৮৬২গৰাকী। ইয়াৰে বৃত্তিগত শাখাত ৩৫গৰাকী আৰু সাধাৰণ শাখাত ৫, ৫৩৭ গৰাকী হিতাধিকাৰীক ধনৰাশি প্ৰদান কৰা হৈছে। এই উপলক্ষে আগবঢ়োৱা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ যুৱপ্ৰজন্মক তেওঁলোকৰ মাজত নিহিত হৈ থকা শক্তিক ইতিবাচকভাৱে ব্যৱহাৰ কৰি প্ৰতিষ্ঠিত হৈ সমাজৰ এক আদৰ্শ হিচাপে উদ্ভাসিত হ'বলৈ আহ্বান জনায়। অসমৰ প্ৰতিগৰাকী যুৱক-যুৱতীৰ মাজতে এক শক্তি অন্তৰ্নিহিত হৈ আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ব্যক্তি এগৰাকীৰ বাবে ২৫ বছৰৰ পৰা ৩৫ বছৰলৈ কালছোৱা হৈছে জীৱনৰ আটাইতকৈ সোণালী সময়। এই সময়ছোৱাতে ব্যক্তি এগৰাকীয়ে ব্যৱহাৰ কৰা সেই শক্তিয়ে তেওঁৰ ভৱিষ্যৎ নিৰ্মাণ কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে জীৱনৰ আটাইতকৈ মূল্যৱান সেই সময়ছোৱাৰ শক্তি ব্যৱহাৰ কৰি নিজ ভৱিষ্যৎ গঢ়ি তোলাৰ বাবে যুব সমাজক আহ্বান জনাই কয় যে এসময়ত ৰাজ্যৰ যুৱচামে

(দহ পৃষ্ঠাত চাওক)

## গৌৰৱৰ পাকিস্তান লিংকৰ এছআইটিৰ প্ৰতিবেদন গৃহ মন্ত্ৰালয়লৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী এলিজাবেথ ক'লবাৰ্ন গগৈৰ বহু প্ৰত্যাশিত পাকিস্তান সংযোগৰ তথ্য আজি সংবাদমেলযোগে ৰাজহুৱা কৰা হ'ব। দেওবাৰে পুৱা ১০.৩০ বজাত দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত এছ আই টিয়ে কৰা তদন্তৰ প্ৰতিবেদন সংবাদমেল যোগে সদৰী কৰিব। শনিবাৰে নিশা হোৱা কেবিনেট বৈঠকত এই

(দহ পৃষ্ঠাত চাওক)

## জয়েৰে টি-২০ বিশ্বকাপৰ অভিযান আৰম্ভ ডিফেণ্ডিং চেম্পিয়ন ভাৰতৰ




ৰঙিলী বাৰ্ত্তাসেৱা- জয়েৰে শনিবাৰৰ পৰা আৰম্ভ হোৱা টি-২০ বিশ্বকাপত অভিযান আৰম্ভ কৰিলে ডিফেণ্ডিং চেম্পিয়ন ভাৰতে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এৰ মেচখনত ভাৰতে আমেৰিকাক ২৯ ৰানত পৰাস্ত কৰে। মেচখনত আয়োজক ভাৰতে জয়ৰ বাবে বান্ধি দিয়া ১৬২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি সঞ্জয় কৃষ্ণমূৰ্তিৰ ৩৭, মিলিন্দ কুমাৰৰ ৩৪ আৰু শুভম ৰঞ্জনেৰ ৩৭ ৰানৰ সহায়ত আমেৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩২ ৰান

( দুই পৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ৰাজ্যিক কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শনিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অসম চৰকাৰৰ অনুষ্ঠিত কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূণ´ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসম চৰকাৰৰ কেবিনেটে অষ্টম দৰমহা আয়োগ গঠনত অনুমোদন জনায়। সংবাদ মেলযোগে এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা ১ জানুৱাৰীৰ দিনা অসমত অষ্টম দৰমহা আয়োগ গঠন কৰিব বুলি ঘোষণা কৰিছিলোঁ। ৰাজ্যৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ দাসক অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাতুল মহন্তক সদস্য, বিত্ত, কৰ্মচাৰী আৰু ন্যায়িক বিভাগৰ আয়ুক্ত-সচিবক সদস্য হিচাপে লৈ এই অষ্টম দৰমহা আয়োগ গঠন কৰা হৈছে। ভাৰত চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ সমান্তৰালভাৱে অসম চৰকাৰে অষ্টম দৰমহা আয়োগ আগুৱাই নিছে। অসমক বাদ দি ভাৰতৰ আন কোনো ৰাজ্যই

( তিনিপৃষ্ঠাত চাওক)

# দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ মধ্যৱৰ্তীকালীন অধিৱেশন সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ নিজা কাৰ্যালয় মুক্তিনাথ শৰ্মা সোঁৱৰণী সাহিত্য ভৱনত দিনজোৰা কাৰ্য্যসূচীৰে শাখাৰ মধ্যৱৰ্তীকালীন অধিৱেশন অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰে আৰম্ভ হোৱা কাৰ্য্যসূচীৰ পিছত শাখাৰ সভাপতি দীপালী শৰ্ম্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাসদেৱে, আদৰণি ভাষণ আগবঢ়ায় শাখাৰ সম্পাদক প্ৰশান্ত দত্তই। অনুষ্ঠানতে শাখাৰ ছমহীয়া পত্ৰিকা সুৱাগমণি উন্মোচন কৰে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জোৎস্না হিলৈদাৰী শইকীয়াই। অনুষ্ঠানত বৰপথাৰ শাখা সাহিত্য সভাৰ সভাপতি জ্যোতি বড়ো, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক দিলীপ কুমাৰ শৰ্মা, শাখাৰ প্ৰতিষ্ঠাপক সভাপতি বুধিন ফুকন, দন্দেশ্বৰ বড়াকে প্ৰমুখ্য বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# জয়েৰে টি-২০ বিশ্বকাপৰ অভিযান

সংগ্ৰহ কৰে। অ'পেনাৰদ্বয় এণ্ড্ৰিজ গাউছে ৬ আৰু ছৈতেলা মুক্কমাল্লাই ২ আৰু অধিনায়ক মনাংক পেটেলে কোনো ৰান নকৰাকৈ বিদায় লয়। ভাৰতীয় দলটোৰ হৈ মহম্মদ ছিৰাজে সৰ্বাধিক তিনিটা উইকেট লাভ কৰাৰ লগতে অৰ্শ্বদীপ সিং আৰু অক্ষৰ পেটেল উভয়ে দুটাকৈ তথা বৰণ চক্ৰৱৰ্তীয়ে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে আমেৰিকাৰ আমন্ত্ৰণক্ৰমে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ দুৰ্দান্ত অপৰাজিত ৮৪ ৰানৰ সহায়ত টীম ইণ্ডিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। ইনিংছ মুকলি কৰিবলৈ আহি দ্বিতীয় অভাৰৰ দ্বিতীয়টো বলৰ পৰাই বিপৰ্যয়ৰ সম্মুখীন হয় ঘৰুৱা দলটো। বিস্ফোৰক অ'পেনাৰ অভিষেক শৰ্মাৰ ৰূপত ভাৰতে প্ৰথমটো উইকেট হেৰুৱায়। অভিষেকে কোনো ৰান নকৰাকৈ পেভিলিয়নমুখী হয়। সেই সময়ত ভাৰতীয় দলটোৰ স্ক'ৰ আছিল ৮ ৰান। অভিষেক আউট হোৱাৰ পিছত আনগৰাকী অ'পেনাৰ ঈশান কিশনে তিলক বাৰ্মাৰ সৈতে লগ লাগি দলৰ বিপৰ্যয় ৰোধ কৰাৰ চেষ্টা চলাই যদিও দুয়োৰে মাজত দ্বিতীয় উইকেটত ৩৭ ৰান সংগ্ৰহ হোৱাৰ সময়তে ঈশানে ব্যক্তিগত ২০ ৰানত বিদায় লয়। ইয়াৰ পিছতে পুনৰ বিপৰ্যয়ৰ সন্মুখীন হয় ভাৰত। ইটোৰ পিছত সিটো উইকেট হেৰুৱাই যদিও অধিনায়ক সূৰ্যকুমাৰে দলটোক বিপদৰ পৰা উদ্ধাৰ কৰে। তিলক বাৰ্মাই ২৫ ৰান কৰি বিদায় লোৱাৰ লগতে শিৱম ডুবেই ০, ৰিংকু সিঙে ৬, হাৰ্দিক পাণ্ডিয়াই ৫, অক্ষৰ পেটেলে ১৪, অৰ্শ্বদীপ সিঙে ৪ আৰু বৰুণ চক্ৰৱৰ্তীয়ে কোনো ৰান নকৰাকৈ বিদায় লয়। অধিনায়ক সূৰ্যকুমাৰে ৪৯টা বলত ১০টা চাৰি আৰু ৪টা ছয়েৰে অপৰাজিতভাৱে ৮৪ ৰান সংগ্ৰহ কৰি দলটোক সবল স্থিতিত উপনীত কৰায়। আমেৰিকাৰ হৈ শ্বেডলি ভান শ্বালকৱিকে সৰ্বাধিক ৪টা, হৰমিত সিঙে ২টা, আলী খান আৰু মহম্মদ মহছিনে ১টাকৈ উইকেট লয়।

# এজন অসমীয়া হিচাপে আত্মসমৰ্পণৰ পথ স্বীকাৰ

ডোলেৰে বান্ধিছিল, ভিন্নতাৰ মাজত সমন্বয়ৰ সোঁত বোৱাইছিল, জাতিটোত নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল আৰু জাতিটোক বিশ্বজনীনতা প্ৰদান কৰিছিল। মহাপুৰুষজনাৰ এই অৱদানৰাজিক বিশুদ্ধৰূপত প্ৰচাৰ আৰু প্ৰসাৰত শ্ৰীমন্ত শংকৰদেৱ সংঘই যি অহোপুৰুষাৰ্থ কৰি আহিছে সেয়া নিতান্তই প্ৰশংসাৰ যোগ্য বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে কেৱল ধৰ্মীয় আৰু আধ্যাত্মিক দিশতে সীমাবদ্ধ নাথাকি আৰ্থ-সামাজিক, শৈক্ষিক আৰু বৌদ্ধিক কৰ্মৰাজিৰে গুৰুজনাৰ আদৰ্শক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘই একনিষ্ঠভাৱে যি কৰ্মযজ্ঞত অৱতীৰ্ণ হৈছে সি অসমৰ জাতীয় জীৱনক অধিক সমৃদ্ধ কৰিছে। তেওঁ পুনৰ কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘই বিশ্ববিদ্যালয়ৰ জৰিয়তে অসমৰ শৈক্ষিক আৰু বৌদ্ধিক পৰিমণ্ডলত আজি এক বিশুদ্ধ বৈষ্ণৱ প্ৰাণৰ সঞ্চাৰ কৰিছে আৰু বিভিন্ন কৰ্মৰাজিৰ মাজেৰে শ্ৰীমন্ত শংকৰদেৱ সংঘই অসমীয়া জাতিটোক একতা আৰু সমন্বয়ৰ ডোলেৰে বান্ধিবলৈ অক্লান্ত অৱদান আগবঢ়াইছে। জামুগুৰিহাটত অনুষ্ঠিত সংঘৰ ৯৫সংখ্যক অধিৱেশনৰ মঞ্চৰ পৰাই সংঘৰ আগন্তুক শত বাৰ্ষিকী অনুষ্ঠানটোত থকাৰ যাতে সৌভাগ্য হয় তাৰ বাবে ভগৱান আৰু গুৰুজনাৰ ওচৰত তেওঁ প্ৰাৰ্থনা জনায়। আগন্তুক শততম বাৰ্ষিক অনুষ্ঠান তেওঁৰ বাবে কেৱল ব্যক্তিগতভাৱেই নহয় বৰং ই অসমৰ বাবে এক ডাঙৰ মাইলৰ খুঁটিত পৰিণত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানৰ প্ৰাকমূহূৰ্তত সংঘৰ পদাধিকাৰকে ধৰি সংঘৰ সৈতে জড়িত সকলোকে শ্ৰদ্ধা নিবেদন কৰে। তেওঁ কয় যে ৰাজনীতিত যোগ দিয়াৰে পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহান কৰ্মৰাজিৰ সৈতে জড়িত হৈ থকাৰ সুযোগ লাভ কৰিছোঁ। বিশেষকৈ শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আইন প্ৰণয়ন, পৰৱৰ্তী সময়ত ৰাইদঙীয়াত বিশ্ববিদ্যালয়ৰ স্থায়ী ভৱন স্থাপনত কিছু পৰিমাণে হ'লেও অৰিহণা যোগোৱা আদি কৰ্মযজ্ঞৰ লগত নিজকে জড়িত কৰাৰ যি সুযোগ লাভ কৰিছিল, সেয়া তেওঁৰ ৰাজনৈতিক জীৱনৰ অন্যতম প্ৰাপ্তি বুলি তেওঁ উল্লেখ কৰে। পঞ্চদশ শতিকালৈ সকলোবোৰ গুৰু আৰু মহাপুৰুষৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল একক, অনন্য আৰু ব্যতিক্ৰম। সেয়েহে অসমীয়া লোকসকলৰ জীৱনৰ লক্ষ্য হোৱা উচিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক সৰ্বভাৰতীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰা, নৱবৈষ্ণৱ ধৰ্মৰ মূলসাৰ কৃষ্ণ ভক্তিক ভাৰতৰ চুকে-কোণে বিয়পাই দিয়া আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক সমগ্ৰ দেশৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ গুৰু হিচাপে প্ৰতিষ্ঠা কৰা। যোৱা পাঁচটা বছৰত অসম চৰকাৰৰ এক ডাঙৰ সফলতা আছিল ভকত-বৈষ্ণৱসকলে চাব পৰাকৈ বৃন্দাবনী বস্ত্ৰক ৰাজ্যখনলৈ ওভতাই অনাৰ প্ৰচেষ্টা। আগন্তুক কিছু দিনৰ ভিতৰতে গুৱাহাটীত আধুনিক সংগ্ৰহালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ২০২৭ চনত ২ বছৰৰ বাবে ব্ৰিটিছ মিউজিয়ামৰ পৰা বৃন্দাবনী বস্ত্ৰ অসমলৈ লৈ অনা হ'ব। যাতে ভকত-বৈষ্ণৱসকলে বৃন্দাবনী বস্তুক স্বচক্ষুৰে চাব পাৰে। যোৱা পাঁচটা বছৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ লৈ যাবলৈ যি মহান প্ৰচেষ্টা অব্যাহত আছে সেই প্ৰচেষ্টাই নিশ্চয় সাৰ্থকতা লাভ কৰিব। আজি অসমীয়া জাতিটোৱে এক গভীৰ সংকটৰ মাজেৰে পাৰ কৰিছে। অসমীয়া লোকৰ কৰ্মৰ প্ৰতি অনীহা বুলি এক অপবাদ মূৰৰ ওপৰত জাপি দি একাংশ লোকে অসমীয়াৰ পৰা অৰ্থনৈতিক শক্তিসমূহ কাঢ়ি লৈ যাবলৈ প্ৰচেষ্টা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসমত ৩০ লাখ বিঘা ভূমি আজি সেইসকল লোকে বিভিন্ন কূটবুদ্ধিৰে বেদখল কৰি নিজৰ অধীনলৈ নিছে। আজি অসমৰ ১২খন জিলাত অসমীয়া লোক সংখ্যালঘুত পৰিণত হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি নগাঁও জিলাতে আজি অসমীয়া লোক এক সংখ্যালঘুৰ ৰূপত পৰিণত হৈছে। জাতীয় জীৱনৰ এই জটিল সন্ধিক্ষণত এচামে আত্মসমৰ্পণৰ পথ বিচাৰি উলিয়াইছে। যোৱা পাঁচটা বছৰত ৰাজ্য চৰকাৰে ডেৰ লাখ বিঘাতকৈও অধিক ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিলে। তদুপৰি ১ লাখ ৬০ হাজাৰ চৰকাৰী নিযুক্তি স্বচ্ছ আৰু মেধাৰ ভিত্তিত কেৱল অসমীয়া আৰু অসমবাসীৰ বাবে সুৰক্ষিত কৰা হ'ল। তেওঁ কয় যে আজি অসম চৰকাৰৰ ভিতৰচ'ৰাত অসমীয়া মন প্ৰবাহিত কৰিবলৈ সক্ষম হৈছোঁ। বিষয়া-কৰ্মচাৰী আৰু চৰকাৰৰ ইক'ছিষ্টেমটোক অসমীয়াৰ গৌৰৱেৰে ৰাজ্য চৰকাৰে নতুনকৈ উজ্জীৱিত কৰিলে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে 'এজন অসমীয়া হিচাপে আত্মসমৰ্পণৰ পথ স্বীকাৰ কৰিবলৈ মই বাধ্য নহয়। কোনোবা অচিনাকি লোক বা অবৈধ বাংলাদেশীৰ ওচৰত আত্মসমৰ্পণ কৰাতকৈ মৃত্যুৱেই শ্ৰেয় আৰু সেই আদৰ্শৰে আজি অসমীয়াই অদম্য শক্তিৰে জাতিটোক নতুনকৈ সঞ্জীৱিত কৰাৰ যুঁজত নামি পৰিছে। অৰ্থনৈতিক শক্তি আৰু অৰ্থনৈতিক সাহস হৈছে এই যুঁজৰ অন্যতম উপাদান। অসমীয়াই যদি নিজৰ অৰ্থনৈতিক শক্তিক হাতত ধৰি ৰাখিব পাৰে, তেন্তে জাতিটোক কেতিয়াও কোনেও দমন কৰিব নোৱাৰে।' শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদীয়মান যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপন আৰু উদ্যোগ আদি স্থাপনৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ ৰচনাৱলীক সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা আৰু প্ৰতিখন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ উপহাৰ দিয়াটো এক জাতীয় কৰ্তব্য। শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰাজিক বিভিন্ন ভাৰতীয় ভাষালৈ অনুবাদৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘই হাতত লোৱা প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ২ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ বাবে তেওঁ আশ্বাস প্ৰদান কৰে। এই অনুষ্ঠানতে তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আতিথ্য প্ৰদানকাৰী তেজপুৰ জিলা শাখালৈ নামঘৰ নিৰ্মাণৰ বাবে ১ কোটি টকা আৰ্থিক অনুদান প্ৰদানৰ কথা ঘোষণা কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতিৰ সভাপতি ড° মৃণাল কুমাৰ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত এই মুকলি সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকা, সাংসদ দিলীপ শইকীয়া, স্থানীয় বিধায়ক তথা আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি পদ্ম হাজৰিকা, বিধায়ক প্ৰমোদ বৰঠাকুৰ আৰু পৃথ্বিৰাজ ৰাভা, প্ৰাক্তন সাংসদ পল্লৱলোচন দাস, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰা, সংঘৰ উপ-পদাধিকাৰ চন্দ্ৰ হাজৰিকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, প্ৰাক্তন পদাধিকাৰ কমলাকান্ত গগৈকে ধৰি অন্যান্য বিষয়ববীয়াসকল, বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লক্ষাধিক ভকত-বৈষ্ণৱ উপস্থিত থাকে।

# বটদ্ৰৱাত গৌৰৱ গগৈক গ'বৈক ধ্বনি ৰাইজৰ




ৰঙিলী বাৰ্তাসেৱা- বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি প্ৰদেশ কংগ্ৰেছে আৰম্ভ কৰা পৰিৱৰ্তন যাত্ৰা বটদ্ৰৱা থানত উপস্থিত হোৱাৰ পিছতেই সহস্ৰাধিক বিজেপি কৰ্মীয়ে কংগ্ৰেছৰ দলটোক উভতি ধৰি বিভিন্ন শ্ল'গানেৰে উত্তাল কৰি তোলে পৰিৱেশ। পৰিস্থিতিয়ে এনে পৰ্যায় পায় গৈ যে বিজেপি কৰ্মী আৰু কংগ্ৰেছ কৰ্মীৰ মাজত হতাহতিও হয়। উল্লেখ্য যে শুক্ৰবাৰে পুৱাবেলা প্ৰায় ৰৰ বজাত নগাঁও চহৰৰ পৰা কংগ্ৰেছে আৰম্ভ কৰে 'সময় পৰিৱৰ্তনৰ' নামৰ এক বিশেষ যাত্ৰা। বটদ্ৰৱাৰ জাপি বাটচ'ৰাৰ সন্মুখত কংগ্ৰেছৰ দলটো উপস্থিত হোৱাৰ সময়তে বিজেপি সমৰ্থকে দলটোক উদ্দেশ্যি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ কৰ্মীসকলে গৌৰৱ গগৈ গ'বৈক, গৌৰৱ গগৈ পাকিস্তানী এজেন্ট, বটদ্ৰৱাৰ অনুপ্ৰৱেশৰ সময়ত কংগ্ৰেছ ক'ত আছিল আদি ধ্বনিৰে কংগ্ৰেছৰ দলটোক আগভেটি ধৰাই নহয়, বটদ্ৰৱাৰ পৰা উলটি যাবলৈও হেঁচা প্ৰয়োগ কৰে। এনে পৰিস্থিতিৰ মাজতেই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈসহ কংগ্ৰেছৰ নেতাসকলে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত সেৱা আগবঢ়ায়। বিজেপি কৰ্মীসকলে কংগ্ৰেছৰ দলটোক উদ্দেশ্যি প্ৰশ্ন- বটদ্ৰৱাত ভূমি বেদখল হৈ থকা সময়ত কংগ্ৰেছ দলটো ক'ত আছিল? গুৰুজনাই (দহ পৃষ্ঠাত চাওক)

# ষষ্ঠবাৰলৈ ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ খিতাপ দখল ভাৰতৰ





ৰঙিলী বাৰ্তাসেৱা- ষষ্ঠবাৰলৈ ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ খিতাপ দখল কৰিলে ভাৰতে। শুকুৰবাৰে জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত ফাইনেল মেচখনত ভাৰতে ইংলেণ্ডক ১০০ ৰাণত পৰাস্ত কৰে। চূড়ান্ত মেচখনত ভাৰতে প্ৰথমে বেটিং কৰি বৈভৱ সূৰ্যবংশীৰ বিস্ফোৰক বেটিঙেৰে নিৰ্ধাৰিত ৫০ অ'ভাৰত ৪১১ ৰানৰ বিশাল স্ক'ৰ সংগ্ৰহ কৰে। ছেমিফাইনেলত শতক অৰ্জন কৰা ভাৰতৰ অ'পেনাৰ আৰ'ন জৰ্জ ব্যৰ্থ হ'লেও আনগৰাকী অ'পেনাৰ (দহ পৃষ্ঠাত চাওক)

# পুনৰ অশান্ত মণিপুৰ




ৰঙিলী বাৰ্তাসেৱা- প্ৰায় এবছৰৰ ৰাষ্ট্ৰপতি শাসনৰ অন্তত মণিপুৰত নতুন চৰকাৰ গঠন হৈছে। কিন্তু চৰকাৰ গঠন হ'লেও অস্থিৰতা কমা নাই হিংসাজৰ্জৰ ৰাজ্যখনত। নতুন চৰকাৰৰ শপত গ্ৰহণৰ পিছতেই পুনৰ অশান্ত হৈ উঠিল মণিপুৰ। মণিপুৰ চৰকাৰত উপ-মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণক লৈ এইবাৰ পুনৰ উত্তপ্ত হৈ পৰিছে মণিপুৰ। মণিপুৰৰ নতুন উপ-মুখ্যমন্ত্ৰী হিচাপে নেমচা কিপগেন আৰু ল'ছি দিখোৱে শপতগ্ৰহণৰ বিৰুদ্ধে বৃহস্পতিবাৰে চুৰাচান্দপুৰ জিলাত নিৰাপত্তা বাহিনীৰ লোকৰ সৈতে সৃষ্টি হোৱা সংঘৰ্ষ হোৱাৰ ফলত হিংসাত্মক ৰূপ ধাৰণ কৰে। বৃহস্পতিবাৰে গোটেই দিনটো পাহাৰীয়া এলেকাৰ বিভিন্ন কুকি প্ৰভাৱিত অঞ্চলত বন্ধ, বিক্ষোভ, পথ অৱৰোধ, অগ্নিসংযোগৰ ঘটনা সংঘটিত হয়। একাধিক চৰকাৰী ভৱনত আক্ৰমণ কৰা হয়। উল্লেখযোগ্য যে প্ৰায় এবছৰৰ মূৰত ৰাজ্যখনত বুধবাৰে ৰাষ্ট্ৰপতি শাসনৰ অৱসান ঘটে। ক্ষমতাসীন বিজেপিৰ নৱনিৰ্বাচিত পৰিষদীয় নেতা ইউমনান খেমচান্দ সিঙে উত্তৰ-পূৰ্বাঞ্চলৰ এই ৰাজ্যখনৰ ১৩সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মেইটেই জনগোষ্ঠীৰ নেতা খেমচান্দৰ সৈতে একেলগে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ ওচৰত উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে কুকি আৰু নাগা জনগোষ্ঠীৰ দুই বিধায়ক ক্ৰমে নেমচা কিপগেন আৰু বিধায়ক ল'ছি দিখো। কুকি নেত্ৰী দিখো বিজেপিৰ সহযোগী দল নাগা পিপ'লছ ফ্ৰন্টৰ (এনপিএফ) বিধায়ক।

# ন্যায়িক আয়োগত সাক্ষ্য প্ৰদান গৰিমা শইকীয়া গাৰ্গৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এছআইটি আৰু আদালতৰ পিছত এজনীয়া ন্যায়িক আয়োগৰ সন্মুখত ভাষ্য প্ৰদান কৰে। শুকুৰবাৰে সৌমিত্ৰ শইকীয়া ন্যায়িক আয়োগত সাক্ষ্য দিলে গৰিমাই। প্ৰায় কেইবাঘণ্টাজুৰি সাক্ষ্য প্ৰদানৰ অন্তত বাহিৰলৈ ওলাই অহা গৰিমা শইকীয়া গাৰ্গে সাংবাদিকৰ আগত কয় যে এছআইটিত যিখিনি সাক্ষ্য দিছিলোঁ সেইখিনিয়ে আজি ক'লোঁ। আদালতে আয়োগে আইন অনুসৰি সকলো কথা বিবেচনা কৰিব। ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক পুনৰ অভিযুক্ত কৰি তেওঁ কয় যে প্ৰবাসী অসমীয়াসকলে কথাখিনি ভালদৰে ক'লে ইমান মেৰপেঁচ নহ'লহেঁতেন। য়টত থকা সকলোৰে চকুৰ সন্মুখত ঘটনাটো সংঘটিত হৈছে। গতিকে আমাৰ চকুত সকলো দোষী। জুবিন গাৰ্গ হত্যাকাণ্ডত অভিযুক্তকেইজনৰ কঠোৰৰ পৰা কঠোৰতম শাস্তিৰ দাবী তুলি তেওঁ কয় যে জুবিনৰ নিচিনা এজন ব্যক্তিয়ে যেতিয়া এনে অৱস্থাৰ সন্মুখীন হ'ব লগা হ'ল গতিকে তেওঁলোক অসুৰেই হ'ব। এই দানৱবোৰৰ জীয়াই থাকি একো লাভ নাই।

# মদন শইকীয়াৰ মৃত্যুত শোক প্ৰকাশ অনাতাঁৰ মৰম পৰিয়ালৰ



ৰঙিলী বাৰ্তাসেৱা- মাজুলী মুদৈবিল-নৱৰতনপুৰ গাঁৱৰ সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক, অনাতাঁৰৰ পুৰণি তথা নিয়মীয়া শ্ৰোতা মদন শইকীয়াৰ যোৱা নিশা ১১.৪০ বজাত নিজা বাসভৱনত মৃত্যু হয়। বৃহত্তৰ মুদৈবিল অঞ্চলৰ বহু কেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত শইকীয়াৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৯ বছৰ। মৃত্যুৰ সময়ত দুজন পুত্ৰ আৰু বোৱাৰী, এগৰাকী কন্যাৰ লগতে নাতি-নাতিনী আৰু পৰিয়ালৰ বহু লোকক ইহ সংসাৰত এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ "অনাতাঁৰ মৰম পৰিয়াল"ৰ লগতে স্থানীয় বহু কেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# বিজেপিৰ যুৱ মৰ্চাক লৈ ডিব্ৰুগড়ত বিজেপিৰ বিশাল সভা




ৰঙিলী বাৰ্তাসেৱা- অসমত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে ৰণকৌশল প্ৰস্তুত কৰিছে ৰাজনৈতিক দলসমূহে। ইতিমধ্যে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে ডিব্ৰুগড়ত বৃহৎ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি যোৱাৰ পাছত এইবাৰ পুনৰ যুৱ শক্তিক এক কৰাৰ লক্ষ্য হিচাপেলৈ শাসকীয় বিজেপিয়ে দলটোৰ মূল যুৱদল ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাৰ জৰিয়তে ডিব্ৰুগড় পুৰণি হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰে যুৱ সন্মিলন, য'ত উপস্থিত থাকে সংগঠনটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বৈভৱ সিং আৰু মন্ত্ৰী প্ৰশান্ত ফুকন। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৮৮নং ডিব্ৰুগড় বিধানসভা (দহ পৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ৰাজ্যিক

এতিয়ালৈ অষ্টম দৰমহা আয়োগ গঠন কৰা নাই। এইক্ষেত্ৰত অসম অগ্ৰণী ৰাজ্য। সেইদৰে এই কেবিনেটে কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ বাবে ১০০ বিঘা ভূমি আবণ্টন দিয়ে। একেদৰে শোণিতপুৰ, চৰাইদেউ আৰু চন্দ্ৰপুৰত জৱাহৰ নৱোদয় বিদ্যালয় স্থাপনৰ বাবে ভূমি আবণ্টনৰ সিদ্ধান্ততো কেবিনেটে অনুমোদন জনায়। আনহাতে কেবিনেটে জলজীৱন মিছনৰ বিভিন্ন আঁচনি সঠিকভাৱে আগুৱাই নিয়াৰ বাবে অপাৰেচন এণ্ড মেইন্টেনেনছ পলিচীত অনুমোদন জনায়। এই পলিচী গ্ৰহণ কৰাৰ লগে লগে জলজীৱন মিছনৰ আঁচনিসমূহ আগবঢ়াই নিয়াৰ লগতে ঠিকাদাৰক আদায় দিবলগীয়া পুঁজি ভাৰত চৰকাৰৰ পৰা লাভ কৰাৰ পথ প্ৰশস্ত হ'ব। সেইদৰে ধেমাজি নগৰত ভূমি আবণ্টন কৰিলে ৰাজহ আইন অনুসৰি ৫ কিলোমিটাৰ পৰ্যন্ত ডেৰ কঠাতকৈ অধিক ভূমি আবণ্টন দিব নোৱাৰে। কেবিনেটে সেই ৰাজহ আইনৰ শিথিলতা কৰি নগৰখনৰ পৰা এক কিলোমিটাৰ অঞ্চল বাদ দি বাকী অঞ্চলত ৭ বিঘা পৰ্যন্ত ভূমি আবণ্টন দিয়াৰ পথ প্ৰশস্ত কৰে। সেইদৰে ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেন্ট (আইআইএম)ৰ স্থায়ী চৌহদ স্থাপনৰ বাবে আজিৰ কেবিনেটে শিক্ষা প্ৰতিষ্ঠানটোক প্ৰয়োজনীয় ভূমি আবণ্টনৰ অনুমোদন দিয়ে। মন কৰিবলগীয়া এয়ে যে অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষা প্ৰতিষ্ঠানটোৰ অস্থায়ী চৌহদ আনুষ্ঠানিকভাৱে মুকলি কৰিব। উক্ত কেবিনেটে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ বাবে ৭০০ কোটি টকা অনুমোদন দিয়ে।

# পুৱতিনিশা মেঘালয়ৰ কয়লাখনিত ভয়ংকৰ বিস্ফোৰণ




ৰঙিলী বাৰ্ত্তাসেৱা- ‘ৰেট হোল মাইনিং’ৰ ভয়াৱহ পৰিণতিত বৃহস্পতিবাৰে পুৱতিনিশা মেঘালয়ৰ কয়লাখনিত এক ভয়ংকৰ বিস্ফোৰণ সংঘটিত হয়। জানিব পৰা মতে, মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ তাচকুৰ চুটাংগা অঞ্চলৰ কয়লা খনিত এক বৃহৎ বিস্ফোৰণ সংঘটিত হোৱাৰ ফলত পাহাৰৰ এটা অংশ ভাগি পৰে। ফলত বহু লোক খনিটোৰ ভিতৰত আবদ্ধ হৈ পৰে। এতিয়ালৈকে খনিটোৰ ভিতৰৰ পৰা ১৮জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হৈছে। এই সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। বৰ্তমানলৈকে নিহতসকলৰ ভিতৰত কাছাৰ জিলাৰ কাটিগড়া সমষ্টিৰ বিহাৰা পঞ্চম খণ্ডৰ সৰিষাকুড়িৰ দিলদাৰ হুছেইন, আনোৱাৰ হুছেইন আৰু ফাৰুক আহমেদক চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাটোৰ খবৰ পোৱাৰ পাছতে উদ্ধাৰকাৰী দল ঘটনাস্থলীত ( নপৃষ্ঠাত চাওক)

# গৌৰৱৰ পত্নীৰ বেংক একাউন্ট পাকিস্তানত আছেঃমুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান লিংক সন্দৰ্ভত পুনৰ এক মহাবিস্ফোৰণ ঘটালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অহা ৮ ফেব্ৰুৱাৰীত গৌৰৱ গগৈৰ পাকিস্তানৰে সম্বন্ধ সম্পৰ্কত সংবাদ মেলৰ জৰিয়তে এই সন্দৰ্ভত সবিশেষ জনাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কলবাৰ্ন গগৈৰ পাকিস্তানত বেংক একাউন্ট আছে আৰু সেই একাউন্ট এতিয়াও সক্ৰিয় হৈ আছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই মহাবিস্ফোৰণ ঘটাই কয় যে অসম আৰক্ষীৰ আগত এলিজাবেথ কলবাৰ্ন গগৈয়ে নিজেই এই কথা কৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গৌৰৱ গগৈৰ পত্নীয়ে নিজেই কৈছে তেওঁ পাকিস্তানত দৰমহা পাইছিল আৰু সেই দৰমহাৰ ধন পাকিস্তানৰ বেংক একাউন্টত ৰাখিছিল। বেংক একাউন্টটো বন্ধ কৰি দিয়া বুলিও কোৱা নাই। তেওঁলোকৰ টকা বিদেশৰ পৰা আহিছিল আৰু বিদেশতে থাকে। এইটো এটা বহুত ডাঙৰ ষড়যন্ত্ৰ। এই বিষয়ে অহা ৮ ফেব্ৰুৱাৰীত ক'ম। সেইদৰে সাংসদ গগৈৰ দুয়োটা সন্তান বিদেশী নাগৰিকত্ব লোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সেইজন গগৈয়ে অসমৰ মুখ্যমন্ত্ৰী হ'ব খোজে। কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী যদি ভাৰতীয় নাগৰিকত্ব ল'ব পাৰে, গৌৰৱ গগৈৰ পত্নীয়ে কিয় ভাৰতীয় নাগৰিকত্ব ল'ব নোৱাৰে বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এটা পৰিয়ালত ৪জন সদস্যৰ তিনিজনেই বিদেশী হ'লে আৰক্ষীয়ে ( নপৃষ্ঠাত চাওক)

# কেন্দ্ৰ-নাগালেণ্ড চৰকাৰ ইএনপিঅ'ৰ মাজত নতুন দিল্লীত ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ-পূৰ্বাঞ্চলক শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী কৰি তোলাৰ লক্ষ্যৰে নতুন দিল্লীয়ে বৃহস্পতিবাৰে আন এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। নতুন দিল্লীত ভাৰত চৰকাৰ, নাগালেণ্ড চৰকাৰ আৰু ইষ্টাৰ্ন নাগালেণ্ড পিপলছ অৰ্গেনাইজেচন (ইএনপিঅ')ৰ মাজত স্বাক্ষৰিত হ'ল এক ঐতিহাসিক ত্ৰিপাক্ষিক চুক্তি। এই চুক্তিৰ জৰিয়তে নাগালেণ্ডৰ ৬খন জিলাক সামৰি ফ্ৰন্টিয়াৰ নাগালেণ্ড টেৰিটৰিয়েল অথৰিটী (এফএনটিএ) গঠনৰ পথ প্ৰশস্ত হ'ল। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ', নাগালেণ্ডৰ ৬খন জিলাৰ ৮টা স্বীকৃতিপ্ৰাপ্ত নগা জনজাতিক প্ৰতিনিধিত্ব কৰা ইএনপিঅ'ৰ প্ৰতিনিধিৰ উপস্থিতিত স্বাক্ষৰিত এই ( নপৃষ্ঠাত চাওক)

# গুৱাহাটী বিশ্ববিদ্যালয়-জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিয়ালৰ মাজত ঐতিহাসিক চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ শিল্প-সাহিত্যৰ অমৰ প্ৰতিভা, যুগস্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমূল্য সৃষ্টিৰাজি গৱেষণা তথা শৈক্ষিক দিশত ব্যৱহাৰৰ উদ্দেশ্যে সংৰক্ষণ, নথিভুক্তকৰণ আৰু ডিজিটেল ৰূপত সংৰক্ষণৰ উদ্দেশ্যে বৃহস্পতিবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগ আৰু মহান শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ মাজত এক ঐতিহাসিক বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। ৰূপকোঁৱৰৰ পৰিয়ালবৰ্গৰ উপস্থিতিত বৃহস্পতিবাৰে অনুষ্ঠিত এক অনুষ্ঠানত ৰূপকোঁৱৰৰ সকলো গুৰুত্বপূৰ্ণ নথি-পত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ক আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা কেৱল এগৰাকী শিল্পী নহয়, তেওঁ অসমীয়া জাতিৰ আত্মাৰ কণ্ঠস্বৰূপ। তেওঁৰ চলচ্চিত্ৰ, সাহিত্য আৰু সৃষ্টিসমূহত অসমৰ সামাজিক, সাংস্কৃতিক আৰু মানৱীয় চেতনাৰ এক জীৱন্ত আৰু গভীৰ প্ৰতিফলন প্ৰতীয়মান হয়। এনে অমূল্য বৌদ্ধিক আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো কেৱল এক শৈক্ষিক দায়িত্ব নহয়, ই আমাৰ জাতিগত দায়িত্ব। এই বুজাবুজি চুক্তিৰ জৰিয়তে গুৱাহাটী বিশ্ববিদ্যালয়ে ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ দুষ্প্ৰাপ্য আৰু অমূল্য সৃষ্টিসমূহ সু-সংগঠিতভাৱে সংৰক্ষণ, নথিভুক্তকৰণ আৰু ডিজিটেল ৰূপত সংৰক্ষণ কৰি ( নপৃষ্ঠাত চাওক)

# ১৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব প্ৰধানমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰাণৰ চাবিলেনযুক্ত পথত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা বায়ুসেনাৰ জৰুৰী অৱতৰণ সেৱা (Emergency Landing Facility) চমুকৈ ইএলএফ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব । এই উদ্দেশ্যে অহা ১৪ ফেব্ৰুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী মোদীৰ ১৪ ফেব্ৰুৱাৰীৰ অসম ভ্ৰমণৰ কাৰ্যসূচী সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে সেইদিনা প্ৰধানমন্ত্ৰী মোদী গুৱাহাটীত উপস্থিত হৈ প্ৰথমে উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুখন উদ্বোধন কৰিব। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী মোদীয়ে পলাশবাৰীৰ যি ইণ্ডিয়ান ইন্সটিটিউট অৱ মেনেজমেন্ট (আইআইএম) হ'ব, তাৰ পাঠদানৰ শুভাৰম্ভ কৰিব। সদ্যহতে বঙৰাৰ পৰা শিক্ষা প্ৰতিষ্ঠানখনৰ পাঠদানৰ শুভ আৰম্ভণি কৰা হ'ব। তাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে গুৱাহাটী মহানগৰীৰ বাবে ১০০খন ইলেকট্ৰিক বাছৰ শুভ উদ্বোধন কৰিব আৰু গুৱাহাটীত এনআইচিএছৰ এটা কেন্দ্ৰও উদ্বোধন কৰিব। ইয়াৰ পিছত প্ৰধানমন্ত্ৰী মোদী খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ ( দহ পৃষ্ঠাত চাওক)

# ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম বা প্ৰেছ। সমাজ এখন বা দেশখন পৰিচালিত হ'বলৈ হ'লে সংবাদ মাধ্যম বা প্ৰেছৰ যথেষ্ট অৱদান আছে। ২০২৬চনত ৩১জানুৱাৰী আজাৰা স্থিত সভাগৃহত দিনজোৰা কাৰ্যসূচীৰে প্ৰভাতী অসম সংবাদ গোষ্ঠীৰ দ্বাৰা পৰিচালিত প্ৰাত:টাইম ডিজিটেল ছেনেলৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। পুৱা ৯বজাত জ্যেষ্ঠ অধিবক্তা চাৰ্লি দাসে স্মৃতি তৰ্পণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। ইয়াৰ পিচতে বন্ধু মিলন নাট্য মন্দিৰৰ সভাপতি ভৱেশ চন্দ্ৰ মেধিয়ে কণ কণ ল'ৰা-ছোৱালীৰ মাজত অনুষ্ঠিত কৰা চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। দিনৰ ১১-৩০বজাত আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ পংকজ কুমাৰ দাসে বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে মঞ্চ মুকলি কৰে অসমৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ অধ্যক্ষ তথা প্ৰাক্তন মন্ত্ৰী কমলা কলিতাই। আনবছৰৰ দৰে এইবাৰো “ সুপ্ৰভাত” নামৰ এখন মুখপত্ৰ উন্মোচন কৰা হয়। উক্ত মঞ্চতে “সুপ্ৰভাত ” মুখপত্ৰ মুকলি কৰে সৰ্বভাৰতীয় প্ৰাথমিক শিক্ষক ফেডাৰেছনৰ কাৰ্যকৰী সভাপতি ৰাতুল গোস্বামীয়ে লগতে উপস্থিত থাকে প্ৰভাতী অসম সংবাদ গোষ্ঠীৰ সঞ্চালিকা প্ৰণতি কলিতা, অনুপমা আলোচনীৰ মুখ্য সম্পাদক ড° শেৱালি দাস কলিতাৰ ( নপৃষ্ঠাত চাওক)

# সময়ৰ মহিমা আৰু মানৱ অস্তিত্ব

**কুণ্ডিল হাজৰিকা, যোৰহাট, টীয়ক**



মহাকালৰ নিৰৱচ্ছিন্ন যাত্ৰাত সময় এক অনন্য আৰু অপ্ৰতিৰোধ্য শক্তি। ইয়াৰ আদি আৰু অন্তৰ ৰহস্য মানুহৰ দুৰ্বল চকুৰ বাবে সদায় অগম্য। মানৱ জীৱন এই অনন্ত সময়ৰ বিশাল কেনভাচত মাথো এক ক্ষন্তেকীয়া তুলিকাৰ টানৰ দৰে, যি মুহূৰ্তত অংকিত হয় আৰু মুহূৰ্ততে হেৰাই যায়। আমি যাক স্থিৰ বুলি ভাবো, সেয়া আচলতে পৰিৱৰ্তনৰ এক অবিৰাম প্ৰক্ৰিয়া মাথো। কালিৰ যি সম্ভাৱনা আজিৰ বাস্তৱ আছিল, সেয়া চকুৰ পচাৰতে অতীতৰ ধূসৰ স্মৃতিৰ গৰ্ভত বিলীন হৈ পৰে।

প্ৰকৃতিৰ এই কঠিন নিয়মক যিয়ে নিৰ্লিপ্তভাৱে গ্ৰহণ কৰিব পাৰে, তেৱেঁই প্ৰকৃততে প্ৰজ্ঞাৰ অধিকাৰী। জীৱনৰ হৰ্ষ-বিষাদ, জয়-পৰাজয় সকলোবোৰ সময়ৰ বালিত খোদিত হোৱা কিছুমান অস্পষ্ট খোজ। মানুহৰ নশ্বৰ দেহটো সময়ৰ সোঁতত জৰাজীৰ্ণ হয় যদিও, তেওঁৰ অন্তৰ্নিহিত মহৎ চিন্তা আৰু কৰ্মই কালক অতিক্ৰম কৰি জীয়াই থকাৰ ক্ষমতা ৰাখে। পদাৰ্থৰ বিনাশ আছে, কিন্তু চিন্তাৰ কোনো মৰণ নাই। সেইবাবেই, জীৱনৰ সৰ্থকতা কেৱল জীয়াই থকাৰ সময়ছোৱাৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ সেই সময়ক কিদৰে অৰ্থবহ কৰি তোলা হৈছে, তাৰ ওপৰতহে নিৰ্ভৰ কৰে।

শেষত, সময়ৰ এই গভীৰ সোঁতত নিজক বিলাই দিওঁতে আমি মনত ৰখা উচিত যে আমাৰ প্ৰতিটো খোজেই যেন বিচাৰবুদ্ধি আৰু মৰ্যাদাৰে পৰিপূৰ্ণ হয়। জীৱনৰ প্ৰকৃত গাম্ভীৰ্য বাহ্যিক আঞ্জম্বৰত নাই, ই নিহিত আছে অন্তৰৰ প্ৰশান্তি আৰু সময়ৰ প্ৰতি থকা অগাধঞ্জ দ্ধাত। ধীৰ-স্থিৰ চিত্তেৰে সময়ৰ প্ৰত্যাহ্বানক গ্ৰহণ কৰি যিয়ে আগুৱাই যায়, তেৱেঁই মহাকালৰ বুকুত নিজৰ অস্তিত্বৰ এক মচিব নোৱাৰা স্বাক্ষৰ এৰি যাবলৈ সক্ষম হয়।

# শান্তিৰ সৰগ বিচাৰি



নমিতা দাস

খিৰিকী খন খুলি দিয়াৰ লগে লগে
আঘোনৰ মিঠা ৰ'দকাচলিৰ সৈতে
সোমাই আহিল এচাটি মৃদু বতাহ
বতাহজাক মুখত লাগি আউল বাউল কৰিলে হি
ৰূপোৱালী চুলি বোৰ
চকু মুখত ৰৈ গ'ল
আকাৰহিন পোহৰ
বতাহ খিনিয়ে উৰুৱাই নিয়ে
বহু দূৰলৈ
ধূলিত ধূসৰিত
নিয়ৰৰ মুকুতা মনি সৰে
পথাৰ ভৰি সোনোৱালী সপোনৰ
আবেগ বোৰ মোহাৰি
যন্ত্ৰণাৰ কোলাহলত
এতিয়া আৰু নসৰে নিয়ৰৰ কণিকা
ধুমুহাৰ সতে যুঁজি
নাভাগৰে,
এতিয়া
শান্তিৰ সৰগ বিচাৰি
তমসাই আবৰিলেও
ৰ'দৰ জিলিকনিৰে
চৌপাশ পোহৰাই।

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য



**পৰিস্মৃতা বৰা হাজৰিকা, মাজুলী, নিকিনিখোৱা**

শিক্ষা মানৱ জীৱনৰ চালিকা শক্তি । শিক্ষাই আমাক পোহৰ বিলাই । শিক্ষাই মানৱ জীৱনৰ বোৱতী সুতি । আমাৰ দেশৰ ধৰণী স্বৰূপ শিশু সকলৰ শিক্ষাৰ মূল ভেটি গ্ৰহণৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ ।

"মা" এক ঈশ্বৰ প্ৰদত্ত শব্দ, যাক এবাৰ উচ্চাৰণ কৰিলেই পোৱা যায় সঞ্জীৱনী শক্তি। "মা" এক স্বৰ্গীয় অনুভূতি। যত নিৰ্বাপিত হয় পৃথিৱীৰ সমস্ত দুখ, অভিমান আৰু সন্তানৰ হাজাৰ আপত্তি। মাতৃৰ সোকোমল কোলাত উঠি পাহৰি যায় সকলো অভিমান । মাকৰ কোমল হাতৰ পৰশত সন্তানে লাভ কৰে স্বৰ্গীয় সুখ ।

মাতৃ শব্দটো বৰ মধুৰ। এই শব্দটোৰে সমগ্ৰ মাতৃ জাতিক সামৰি লৈছে। "মা" মানে লক্ষ্মী আৰু "তৃ" মানে অক্ষৰে পাৰ কৰা। এগৰাকী মাতৃয়েই হৈছে সন্তানৰ প্ৰথম শিক্ষাগুৰু। সেয়ে শাস্ত্ৰমতে মাতৃগৰাকীক আদি গুৰু আখ্যা দিয়া হয়। আজিৰ সমাজত মাতৃৰ দায়িত্ব অপৰিসীম। মাতৃৰ স্তনৰ অমৃত সদৃশ দুগ্ধপান কৰি সন্তানে অনুভৱ কৰে পৃথিৱীৰ সমস্ত সুখ। সন্তানৰ মুখত উচ্চাৰিত প্ৰথম শব্দই হৈছে "মা" ।

কবিৰ ভাষাৰে ----

" কোনে মোক তুলি - তালি
কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে নালাগে
ভাগৰ ।"

এগৰাকী মাতৃয়ে গৰ্ভত সন্তানে স্থিতি লোৱাৰে পৰা দহ মাহ দহ দিন ব্যস্ত থাকে সন্তানক নতুন পৃথিৱীখনলৈ অনাত আৰু গৰ্ভাৱস্থাতেই শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত ব্যস্ত থাকে মাতৃ গৰাকী। শিশুৰ কৈশোৰ অৱস্থালৈকে শাৰীৰিক, মানসিক, নৈতিক শিক্ষাৰে সুচৰিত্ৰ গঠনত শিক্ষা দিয়াৰ দায়িত্ব মাতৃ গৰাকীৰ লগতে ঘৰখনৰ ।

এগৰাকী মাতৃয়ে গৰ্ভত সন্তানে স্থিতি লোৱাৰে পৰা বিভিন্ন নীতি নিয়মৰ মাজেদি সময় পাৰ কৰিব লগা হয়। ৰামায়ণ, মহাভাৰত, পুৰাণ আদি শাস্ত্ৰসমূহতো আমি দেখা পাওঁ যে গৰ্ভাৱস্থাত ভগৱানক চিন্তা কৰি থকা মাতৃৰ উদৰতহে মহাভক্তৱান সন্তানৰ জন্ম হৈছিল ।

উপনিষদৰ মতে- হাজাৰজন পিতৃতকৈ এগৰাকী মাতৃ শ্ৰেষ্ঠ। এগৰাকী মাতৃয়েই হৈছে সন্তানৰ প্ৰথম শিক্ষাগুৰু। শিশু শিক্ষাৰ প্ৰথম কঠিয়তলী হৈছে ঘৰখন। ঘৰখনৰ পৰিৱেশেই শিশুক শিক্ষাৰ প্ৰতি আকৃষ্ট কৰে। শিশুক কথা কোৱা, আচৰণ, সততা, মূল্যবোধৰ শিক্ষা দিয়াৰ দায়িত্ব মাতৃ গৰাকীৰ । মাতৃ গৰাকীৰ আচৰণে সন্তানৰ চৰিত্ৰ গঠনত সহায় কৰে। সেয়ে এগৰাকী মাতৃয়ে সন্তানৰ সন্মুখত ইতিবাচক দৃষ্টিভংগী দাঙি ধৰা উচিত, কিয়নো " এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে কৰিব পাৰে" ।এটা সন্তানে ঘৰৰ পৰা পোৱা শিক্ষাই বিদ্যালয় বা সমাজত নিজকে আগুৱাই নিয়াত সহায় কৰে।

শিশুৰ নৈতিক চৰিত্ৰ গঠনত মাতৃৰ ভূমিকা অপৰিসীম। এগৰাকী মাতৃয়ে সন্তানক মূল্যবোধৰ শিক্ষা দিয়ে, ভাল বেয়া বিচাৰ কৰিবলৈ শিকাই, মানসিক আৰু আবেগিক বিকাশৰ বাবে সুস্থ পৰিৱেশ গঢ়ি তুলি সন্তানক আত্মবিশ্বাসী আৰু সহানুভূতিশীল হ'বলৈ শিকায় । মাতৃৰ আদৰ্শই হৈছে সন্তানৰ আদৰ্শ ।এটি শিশুক মানৱীয় গুণেৰে সু -শিক্ষিত কৰি গঢ়ি তুলিব পৰাটো হৈছে আধ্যাত্মিক জ্ঞানৰ বিকাশ সাধন কৰা। দয়া, মৰম, চেনেহ, সততা, ক্ষমা, সত্যবাদীতা, বিনয়ী, নম্ৰ, ধৈৰ্য, দেশপ্ৰেম আদি মানৱীয় গুণ। এটি শিশু জন্মৰ পৰা পাঁচ বছৰ বয়সলৈকে নিৰ্ভৰ কৰে মাকৰ ওপৰত। গতিকে শিশুৰ মাত ফুটাৰ পৰা এই গুণ সমূহ দিবলৈ মাতৃয়ে যত্ন কৰিব লাগে। এটি শিশুক মাতৃয়ে নিজৰ কামবোৰ নিজে কৰিবলৈ শিকোৱা উচিত । যেনে - খেলা সামগ্ৰীবোৰ নিজে আগৰ ঠাইত থোৱা, নিজে খোৱা, কাপোৰ পিন্ধা ইত্যাদি। এনে কামবোৰে শিশুক আত্মনিৰ্ভৰ হ'বলৈ শিকায়। সন্তানৰ সৰু - ডাঙৰ প্ৰতিটো চিন্তাক সন্মান দিবলৈ যত্ন কৰিব লাগে। ভুল - শুদ্ধ আঙুলিয়াই দিব লাগে। শিশুৰ প্ৰতিটো কামৰ কাৰ্যসূচী মাতৃগৰাকীয়ে বন্ধুসুলভ তদাৰক কৰিব লাগে। শিশুৰ মানসিক চাহিদা পূৰণৰ বাবে ভালপোৱা কামবোৰ কৰিবলৈ দিব লাগে। এগৰাকী নাৰীৰ বাবে মাতৃ হব পৰাটো গৌৰৱৰ কথা, কিন্তু সঁচা অৰ্থত মাতৃত্বৰ গৌৰৱ অৰ্জন সহজ কথা নহয়। গৌৰৱৰ কথা হ'ল সন্তানক সৎ, আদৰ্শবান, সু-নাগৰিক হিচাপে গঢ়ি তুলিব পৰাটোহে।

মানুহৰ মাজত মানুহ হৈ জীয়াই থাকি এখন সুন্দৰ সমাজৰ বাসিন্দা হ'বলৈ আমাক লাগিব সজ শিক্ষা আৰু সৎ চিন্তা। ইয়াৰ বাবে আমাৰ প্ৰথম শিক্ষানুষ্ঠান ঘৰখন আৰু শিক্ষাগুৰু হৈছে অভিভাৱক। শিশুৰ শৈশৱ আৰু কৈশোৰ অৱস্থাত অভিভাৱকৰ দায়িত্ব অপৰিসীম । এটি শিশুৰ সুস্থ আবেগিক বিকাশৰ বাবে ঘৰুৱা পৰিৱেশ সদায় অনুকূল হোৱাটো প্ৰয়োজন। সুখ আৰু আনন্দৰ মাজেৰে সন্তানক শিক্ষা দিয়াতো অতি প্ৰয়োজন। আগলৈ...

# অকলশৰীয়া



প্ৰভাত বণিয়া

উকা পথাৰৰ পৰা শুনো কি নুশুনো ভাঁহি আহে
দুভৰ্গীয়া নিৰন্ন পথৰুৱাৰ অসহায় কাতৰ আৰ্তনাদ
হতভম্ব
কাৰো স্বাধীনতা নাই
নাই সঁহাৰি
নাই কাৰো জীৱনৰ নিৰাপত্তা
ধিমিক ধামাক জ্বলে অস্তিত্বৰ শলিতা গছি
প্ৰতিভাৰ দাম নাই
সভা উৎসৱত বৰ্ণবাদ, ধন জনৰ শোভাযাত্ৰা
সেমেকা দিৱস
সেমেকা মন
"খেনোক দেখি ৰান্ধে বাঢ়ে খেনোক দেখি দুৱাৰ মাৰে"
মুখ চাই সম্ভাষণ
যোগ্য জনৰ নাই সমাদৰ
ভাৰাক্ৰান্ত সমাজ, বিপন্ন মানৱতা
গোষ্ঠীগত চিন্তা চৰ্চা, স্বজনপ্ৰীতি,
আঞ্চলিক বৈষম্যৰ হাতোৰাত তচনচ সম্ভাৱনা সম্প্ৰীতি
আত্ম প্ৰচাৰত পঞ্চমুখ দাম্ভিক সূত্ৰধাৰ
জলন্ত জুইক ঢাকি ৰাখিব কোনে পাৰে
আশা-ভাৰসা, জীৱন-যৌৱন
উদ্দেলিত হৈ উঠিব
এদিন হবই হ'ব অৱসান দুষ্ট চক্ৰৰ কু- অভিসন্ধি
এন্ধাৰৰ বিৰুদ্ধে সগৌৰৱে উৰিব
শোষিত বঞ্চিত জনৰ বিজয় নিচান ।

# চিন্তন



মিতালি বৰঠাকুৰ, মালিগাওঁ

আমাৰ বুকুৰ ভিতৰত
সদায় এখন যুদ্ধ চলি আছে
য'ত নিৰ্লিপ্ত হৈ থাকে প্ৰেম আৰু ঘৃণা
কেতিয়াবা কথাবোৰ হৈ পৰে
পটন্তৰ, সাধুকথাৰ দৰে
আৰু কেতিয়াবা কথা বোৰ
গীতা, উপনিষদৰ প্ৰেমৰ বাণী।
আবেগ আৰু অজুহাতৰ দোমোজাত
ওপঙি থকা আমি
একো একোটা অৱচেতন আত্মা
যেন শামুকৰ খোলাত নিদ্ৰাৰত এক জীৱন্ত ফচিল।

# প্ৰতিশ্ৰুতিৰ মিছা সোঁত




তৰালী বৰুৱা,লখিমপুৰ

মানুহ আশাৰে জীয়াই থাকে- এই কথাটো বহু পুৰণি, কিন্তু আজিৰ যুগত এই আশাই মানুহক আটাইতকৈ বেছি আঘাত দিয়াৰ অস্ত্ৰ হৈ পৰিছে। আশাৰ ওপৰত গঢ়ি উঠা প্ৰতিশ্ৰুতিবোৰৰ বাহিৰে উজ্জ্বল, বিশ্বাসযোগ্য আৰু আশ্বাসেৰে ভৰা যেন লাগে, কিন্তু ভিতৰত সিহঁত প্ৰায়েই মিছা, ক্ষণস্থায়ী। এই প্ৰতিশ্ৰুতিবোৰ এক প্ৰকাৰৰ মিছা সোঁত-যিয়ে মানুহক আগুৱাই নিয়া বুলি ভ্ৰম জগায়, কিন্তু শেষত একে ঠাইতেই ডুবাই থয়।

প্ৰতিশ্ৰুতি মূলতঃ এটা দায়িত্ব। কোনো মানুহে কথা দিয়া মানে, তেওঁ নিজৰ ভাষাক নিজৰ আচৰণৰ সৈতে জড়িত হোৱা। কিন্তু যেতিয়া প্ৰতিশ্ৰুতি আশাৰ ওপৰততহে থিয় হয়, বাস্তৱ আৰু দায়িত্বৰ ওপৰত নহয়, তেতিয়া সেয়া লাহে লাহে মিছালৈ ৰূপান্তৰ হয়। আজিকালি বহু মানুহে আনক সুখী কৰিবলৈ, ক্ষণিকৰ প্ৰশংসা পাবলৈ বা তৎকালীন পৰিস্থিতিৰ পৰা ওলাই যাবলৈ কথা দিয়ে। সেই মুহূৰ্তত সিহঁতৰ মুখেৰে ওলাই অহা প্ৰতিশ্ৰুতি সঁচা যেন লাগে, কিন্তু সময় পাৰ হোৱাৰ লগে লগে সেইবোৰ শব্দ হৈয়ে ৰৈ যায়-আচৰণলৈ ৰূপান্তৰ নোহোৱাকৈ।

আশা এক অতি সংবেদনশীল অনুভৱ। যেতিয়া কোনো মানুহে আশাৰ ওপৰত ভৰ দি আন কাৰোবাক বিশ্বাস কৰে, তেতিয়া তেওঁ নিজৰ দুৰ্বল অংশটো মুকলি কৰি দিয়ে। আঘাত কেৱল মনত নহয়, মানুহৰ চিন্তাধাৰাতো পৰে। এনে অভিজ্ঞতাৰ পিছত বহু মানুহে লাহে লাহে বিশ্বাস কৰা এৰি দিয়ে। ফলত সমাজত এক প্ৰকাৰৰ নীৰৱ দূৰত্ব গঢ় লৈ উঠে-য'ত সকলোৱে কথা কয়, কিন্তু বিশ্বাস নকৰে।

এই মিছা প্ৰতিশ্ৰুতিবোৰৰ আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল-সিহঁতে পোনপটীয়াকৈ অস্বীকাৰ নকৰে। যদি কোনো মানুহে স্পষ্টকৈ "মই নোৱাৰোঁ" বা "মই এইটো কৰিব নোৱাৰিম" বুলি কয়, তেন্তে তাত দুখ থাকিলেও ভ্ৰান্তি নাথাকে। কিন্তু যেতিয়া কোনোবাই "চেষ্টা কৰিম", "অলপ পাছত", "চাই ল'ম" আদি কথাৰে আশাৰ বীজ সিঁচে, তেতিয়া সেই আশাই মানুহক বেছি দিন বান্ধি ৰাখে। এই বান্ধনটো দেখাত কোমল, কিন্তু প্ৰভাৱত অত্যন্ত কঠোৰ।

আজিৰ সমাজত ব্যস্ততাৰ সংস্কৃতি এই মিছা প্ৰতিশ্ৰুতিৰ এক ডাঙৰ উৎস। বহু মানুহে নিজকে ব্যস্ত বুলি দেখুৱাই দায়িত্বৰ পৰা আঁতৰি থাকে। ব্যস্ততা যেন এক সামাজিক অজুহাত -যাৰ আঁৰত লুকাই প্ৰতিশ্ৰুতি ভাঙিলেও লাজ নাথাকে। "সময় নাই" বুলি কোৱাটো সহজ, কিন্তু সময় নিদিয়াৰ ফলত আন এজন মানুহৰ আশা ভাঙি গৈছে-এই কথা ভাবিবলৈ আজিকালি খুব কম লোকেই ৰৈ যায়।

আশাৰ ওপৰত গঢ়ি উঠা প্ৰতিশ্ৰুতিবোৰ প্ৰায়েই একমুখী হয়। এজন মানুহে আশাৰে অপেক্ষা কৰে, আনজন মানুহে সুবিধা অনুসাৰে কথা পাহৰে। এই অসমতা সম্পৰ্কক লাহে লাহে বিষাক্ত কৰি তোলে। মৰম, বন্ধুত্ব বা আত্মীয়তাৰ নামত গঢ়ি উঠা বহু সম্পৰ্ক এই মিছা সোঁতৰ মাজতে নিঃশব্দে শেষ হৈ যায়।

এই প্ৰৱণতাই কেৱল ব্যক্তিগত সম্পৰ্কতেই সীমাবদ্ধ নহয়; সামাজিক আৰু পেছাগত ক্ষেত্ৰতো ইয়াৰ গভীৰ প্ৰভাৱ আছে। ৰাজনীতি, ব্যৱসায়, চাকৰি, শিক্ষা-প্ৰায় সকলো ক্ষেত্ৰতে আশ্বাস আৰু প্ৰতিশ্ৰুতিৰে মানুহক আকৃষ্ট কৰা হয়। কিন্তু বাস্তৱত সিহঁতৰ বহুতেই পূৰণ নহয়। ফলত মানুহৰ মাজত এক সাধাৰণ বিশ্বাসহীনতা জন্মে-য'ত সকলোৱে ধৰি লয় যে কথা মানেই মিছা, প্ৰতিশ্ৰুতি মানেই অস্থায়ী।

তথাপি এই মিছা সোঁতৰ বাবে কেৱল প্ৰতিশ্ৰুতি দিয়া মানুহবোৰেই দায়ী নহয়। বহু সময়ত আমি নিজেও অতি সহজে আশা কৰি লওঁ। শব্দৰ গভীৰতা বুজাৰ আগতেই তাত ভৰ দি দিওঁ। হয়তো আমাৰ মনত এক অভাৱ থাকে-মৰমৰ, স্বীকৃতিৰ, নিৰ্ভৰযোগ্যতাৰ। সেই অভাৱ পূৰণৰ আশাত আমি প্ৰতিশ্ৰুতিক প্ৰয়োজনতকৈ ডাঙৰ কৰি তোলোঁ। ফলত যেতিয়া সেয়া ভাঙে, আঘাতো বেছি হয়।

সমাধান ক'ত? হয়তো সম্পূৰ্ণ সমাধান নাই। কিন্তু সজাগতা আছে। কথা দিয়াৰ আগতে ভবা-এইটো মই সঁচাকৈ কৰিব পাৰিম নে? আৰু কথা লোৱাৰ আগতে ভাবা-এই মানুহজনৰ আচৰণে কি কৈছে? শব্দতকৈ আচৰণ বেছি সঁচা। যি মানুহে কম কথা কয় কিন্তু যি কয় সেয়া ৰাখে, তেন্তে সেই নীৰৱ সততাই হাজাৰ প্ৰতিশ্ৰুতিতকৈ মূল্যৱান।

আশা মানুহৰ জীৱনৰ প্ৰাণ। কিন্তু সেই আশাক যদি আমি মিছা প্ৰতিশ্ৰুতিৰ ওপৰত থৈ দিওঁ, তেন্তে সেই আশা নিজেই দুৰ্বল হৈ পৰে। আশাক জীয়াই ৰাখিবলৈ সঁচা কথাৰ, সীমাবদ্ধতাৰ স্বীকাৰোক্তিৰ আৰু দায়িত্বশীল নীৰৱতাৰ প্ৰয়োজন। নহ'লে আশাৰ ওপৰত গঢ়ি উঠা এই মিছা সোঁতে আমাক বাৰে বাৰে একেই ঠাইলৈ উভতাই আনিব-য'ত বিশ্বাস ক্লান্ত, মন ভগ্ন, আৰু শব্দসমূহ অৰ্থহীন। একেবাৰে নিঃশব্দে সলনি কৰি দিয়ে। প্ৰথমতে মানুহে অপেক্ষা কৰে, তাৰ পিছত বুজাৰ চেষ্টা কৰে, তাৰ পিছত নিজকে দোষী বুলি ভাবিবলৈ ধৰে। "মই বেছি আশা কৰিলোঁ নেকি?", "মোৰ আশা কৰাটোৱেই ভুল আছিল নেকি?"-এই প্ৰশ্নবোৰে লাহে লাহে আত্মবিশ্বাস খাই পেলায়। অথচ বাস্তৱত ভুলটো বহু সময়ত আশা কৰা মানুহজনৰ নহয়, বৰং আশাৰ ওপৰত ভৰ দি দিয়া মিছা প্ৰতিশ্ৰুতিটোৰ।

আশাৰ ওপৰত গঢ়ি উঠা প্ৰতিশ্ৰুতিবোৰে মানুহক কেতিয়াও একেবাৰে একে সময়তে আঘাত নিদিয়ে। এই আঘাতটো ধীৰ, স্তব্ধ আৰু দীঘলীয়া। যেতিয়া এদিন প্ৰতিশ্ৰুতি ভাঙে, তেতিয়া মানুহে ভাবি লয়-হয়তো ব্যস্ত। দুদিন, তিনিদিন পাৰ হ'লে ভাবি লয়-হয়তো পাহৰিলে। কিন্তু সময় যিমানেই দীঘলীয়া হয়, সিমানেই মনত এটা স্পষ্ট উপলব্ধি জন্মে-এই প্ৰতিশ্ৰুতি কেতিয়াবা সঁচা আছিলেই নে? এই উপলব্ধিটোৱেই আটাইতকৈ বেদনাদায়ক, কাৰণ ইয়াত কেৱল আন এজন মানুহৰ ওপৰত নহয়, নিজৰ বুজাবুজিৰ ওপৰতো সন্দেহ জন্মে।

এই মিছা সোঁতে সম্পৰ্কৰ ভাষাটো সলনি কৰি পেলায়। আগতে য'ত খোলা কথা আছিল, তাত সন্দেহৰে ভৰি পৰে। আগতে য'ত অপেক্ষা আছিল, তাত (বাকপৃষ্ঠাত চাওক)

**JANASANYOG- 4337/25/8-Feb-26**



সত্যমেৱ জয়তে
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

# খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ

## অন্ন সেৱা দিন

১ - ১০ ফেব্ৰুৱাৰী ২০২৬



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

◇ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে ◇

বিনামূলীয়া চাউলৰ লগতে বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী

### 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা'ৰ অধীনত বিনামূলীয়া চাউল

- 'অন্ত্যোদয়া অন্ন যোজনা'ৰ অধীনস্থ প্ৰতিটো পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল
- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল

### প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ বজাৰতকৈ সুলভ মূল্যত ১ কিঃগ্ৰাঃ কৈ খাদ্য-সামগ্ৰী

- মচুৰ দাইল: ৬০ টকা (প্ৰতি কিঃগ্ৰাঃ)
- চেনি: ৩০ টকা (প্ৰতি কিঃগ্ৰাঃ)
- নিমখ: ১০ টকা (প্ৰতি কিঃগ্ৰাঃ)

উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৭০ লাখ+

**সুলভ মূল্যৰ দোকানীৰ কৰণীয়**

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ আৰু সজাগতা সৃষ্টি
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- গ্ৰাহকে লাভ কৰা সামগ্ৰীৰ বিপৰীতে e-POS মেচিনৰ ৰচিদ প্ৰদান

**গ্ৰাহকলৈ আহ্বান**

- নিৰ্ধাৰিত মূল্যতকৈ কোনো কাৰণতেই অধিক টকা পৰিশোধ নকৰিব
- প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক পৃথককৈ e-POS মেচিনৰ জৰিয়তে বায়'মেট্ৰিক প্ৰমাণীকৰণ জৰুৰী
- সামগ্ৰী সংগ্ৰহৰ বিপৰীতে e-POS মেচিনসৃষ্ট ৰচিদ গ্ৰহণ কৰিবলৈ নাপাহৰিব

যিকোনো অভিযোগৰ ক্ষেত্ৰত জিলা/সমজিলা/মহকুমাৰ বিভাগীয় কৰ্তৃপক্ষ অথবা টোল ফ্ৰী নম্বৰ:
১৮০০-৩৪৫-৩৬১১ আৰু ১৯৬৭ (BSNL গ্ৰাহক)ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

অৱলোকন

# সাহিত্য-সংস্কৃতিৰ কালকূট (Enemy of accomplishment in the field of Literature & Culture)

কনক শৰ্মা, হাজো,দমদমা

অসমীয়া সাহিত্য জগতৰ বিশ্ব বিশ্ৰুত বিদুষী নাৰী জ্ঞানপীঠ বঁটা বিজয়ী ডঃ মামণি ৰয়চম গোস্বামী বাইদেউয়ে দুখ কৰি কৈছিল যে তেখেতৰ সাহিত্য কৃতিক এটাচামে অনাহক বিতৰ্কৰ মাজলৈ নিবলৈ প্ৰয়াস কৰে। তেখেতে লগতে মন্তব্য কৰিছিল যে যেনেকৈ নাৰীৰ শত্ৰু নাৰী তেনেকৈ সাহিত্যিকৰ শত্ৰু সাহিত্যিকে থাকে।

অসমীয়া যুগান্তকাৰী আলোচনী "ৰামধেনু"ত কবিতা এটি প্ৰকাশ কৰিবলৈ অত্যন্ত হেঁপাহেৰে বিশিষ্ট চিন্তাবিদ, সাহিত্যিক, সাংবাদিক শ্ৰদ্ধাৰ হোমেন বৰগোঁহাঞি ডাঙৰীয়াই হে নো আলোচনীখনৰ সম্পাদকলৈ "অৰণ্য " নামৰ কবিতা এটি পঠিয়াইছিল।

কিন্তু যিটো কবিতা প্ৰকাশৰ অযোগ্য বুলি পূৰ্বৰ সম্পাদক জনে ডাষ্টবিনত প্ৰক্ষেপ কৰিছিল, এবছৰ মান পিছত যেতিয়া জ্ঞানপীঠ বঁটা বিজয়ী শ্ৰদ্ধাৰ ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ৰামধেনুৰ সম্পাদক হৈছিল ১৯৫২ চনৰ প্ৰথম সংখ্যাতে সেই কবিতাটি প্ৰকাশ পাইছিল।

ডঃ ভূপেন হাজৰিকাৰ ঈশ্বৰ প্ৰদত্ত কণ্ঠ আৰু অনন্য সংগীত সাধনাই তেখেতক জনপ্ৰিয়তাৰ শিখৰলৈ নিছিল। এবাৰ ভাষা আন্দোলনৰ সময়ত তেখেত যেতিয়া কলকাতাত আছিল তেখেতৰ বিৰুদ্ধে পোষ্টাৰিং হৈছিল। লিখিছিল, - "ভূপেন হাজৰিকাৰ আমি ৰক্ত চাই।" পিছত অনুসন্ধানত ওলাই পৰিল যে কলকাতাৰ এজন সংগীত শিল্পীৰ উদ্যোগত এই ঘৃণনীয় ঘটনাটি সংঘটিত হৈছিল।

শিল্পী-সাহিত্যিকৰ মাজৰ এই কূটিল সংঘাতৰ উদাহৰণ হয়তো আন বহুতেই ওলাব। ইতিহাসৰ পৃষ্ঠাবোৰ বৰ সজীৱ। গৌৰৱোজ্জ্বল ঘটনা-পৰিঘটনাবোৰ যেনেদৰে সজীৱ কৈ ৰাখে কলঙ্কিত কাহিনীবোৰৰ পৃষ্ঠপোষকতাও ইতিহাসেই কৰে। সাহিত্য-সংস্কৃতি ক্ষেত্ৰৰ এনে দ্বন্দ্ব- সংঘাতবোৰৰ কাৰক হিচাপে আচাৰ্য চাণক্যই এটি সুন্দৰ শ্লোক উপস্থাপন কৰিছে।

"ন বেত্তি য়স্য গুণপ্ৰকৰ্ষ,
স তং সদা নিন্দতি নাৎত্ৰ চিত্ৰম।
য়থা কিৰাতী কৰিকুম্ভলব্ধাং,
মুক্তাংপৰিত্যজ্য বিভৰ্তিগুঞ্জাম।"

অৰ্থাত এজন মানুহে আন এজনৰ গুণ বুজি পাবলৈ হ'লে মানুহজনৰ নিজৰো কিছু জ্ঞান থকাৰ প্ৰয়োজন। এজন শিক্ষিত জ্ঞানী মানুহেহে অন্য



এজন গুণী ব্যক্তিৰ গুণৰ মোল বুজিব পাৰে। এজন শিল্পী বা সাহিত্যিকেহে আন এজন শিল্পী বা লেখকৰ প্ৰতিভা সঠিক ভাবে নিৰূপণ কৰিব পাৰে।


যাৰ কোনো জ্ঞানেই নাই, যাৰ হৃদয় তথা মস্তিষ্কই এজন গুণবান ব্যক্তিৰ জ্ঞান প্ৰতিভাৰ গভীৰতা অনুমানেই কৰিব নোৱাৰে, তেওঁ যদি নিন্দাও কৰে তাত গুৰুত্ব দিব লগীয়া কোনো কথা নাই।

আচাৰ্য চাণক্যই উদাহৰণ দি কৈছে যে চিকাৰ কৰি পেট প্ৰবৰ্তোৱা নিম্ন পৰ্যায়ৰ অশিক্ষিত এজনী মানুহে মহামূল্যৱান মুক্তা হাতত পালেও সেইখিনি দলিয়াই বনে জংঘলে গজি উঠা কুঞ্জলতাৰ মণিৰ মালাকহে গ্ৰহণ কৰিব।

# বিশ্ব সাহিত্যৰ তাত্বিক ধাৰা আৰু অসমীয়া সাহিত্যৰ সামাজিক বাস্তৱতা

যোৰাখণ্ডৰ পৰা...

ময়ূৰী বৰগোহাঁই, শিৱসাগৰ



নাৰীবাদী সমালোচনাত এই দৃষ্টিভংগীক "paternalistic sympathy" বুলি আখ্যা দিয়া হয়-য'ত সহানুভূতি আছে, কিন্তু ক্ষমতা-সংৰচনাৰ বিৰুদ্ধে বিদ্ৰোহ নাই ।

উনবিংশ শতিকাৰ শেষভাগত অসমীয়া সাহিত্যত নাৰীবাদী চেতনাৰ সূচনা দেখা যায়। পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' (১৮৮৪) আৰু 'বিধৱা' শীৰ্ষক ৰচনাসমূহে বিধৱা নাৰীৰ সামাজিক অৱস্থানক প্ৰশ্ন কৰে। স্বৰ্ণলতা বৰুৱাৰ 'আৰ্হি তিৰোতা'ত নাৰী-নৈতিকতাৰ পুৰুষতান্ত্ৰিক সংজ্ঞাক পৰোক্ষভাৱে চেলেঞ্জ কৰা হৈছে । এই সময়ছোৱাত ধৰ্মেশ্বৰী দেৱী বৰুৱানী আৰু যমুনেশ্বৰী খাটনিয়াৰৰ কাব্যত নাৰী মনৰ অনুভূতি আৰু স্বাধীনতাৰ সুৰ শুনা যায়, যদিও সেই সুৰ এতিয়াও সীমিত পৰিসৰত আবদ্ধ।

বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত অসমীয়া সাহিত্যত নাৰীবাদী চেতনা অধিক স্পষ্ট হয়। ইন্দিৰা গোস্বামী (মামণি ৰয়চম গোস্বামী)ৰ উপন্যাসসমূহত নাৰীৰ দেহ-যন্ত্ৰণা, সামাজিক নিষেধাজ্ঞা আৰু মানসিক বিদ্ৰোহ গভীৰভাৱে প্ৰতিফলিত হয়। তেওঁৰ লেখনীত নাৰী কেৱল সহানুভূতিৰ পাত্ৰ নহয়; তেওঁ সমাজ ব্যৱস্থাৰ কঠোৰ সমালোচক। ইয়াত নাৰীবাদ বিশ্ব সাহিত্যৰ দৰে তাত্বিক ভাষাত নহয়, জীৱনৰ কষ্ট, দুখ আৰু প্ৰতিবাদৰ বাস্তৱ অভিজ্ঞতাৰ মাজেৰে প্ৰকাশ পায় ।এই যুগত অসমীয়া সাহিত্যত নাৰীবাদ এক সুদৃঢ় বৌদ্ধিক ৰূপ লাভ কৰে । ইন্দিৰা গোস্বামী (মামণি ৰয়ছম গোস্বামী) এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বাঁকবিন্দু । তেওঁৰ উপন্যাসসমূহত নাৰী শৰীৰ, ধৰ্মীয় অনুশাসন, মাতৃত্ব আৰু যৌনতা সামাজিক শোষণৰ কেন্দ্ৰবিন্দু । দতাল হাতীৰ উঁয়ে খোৱা হাওদা, নীলকণ্ঠীব্ৰজ, সাপৰ ছালৰ জোতা, ভিক্ষাৰ পাত্ৰ ভাঙি, ছিন্নমস্তাৰ মানুহটো আদিত নাৰী কেৱল দুখী নহয়; তেওঁ এক সচেতন প্ৰশ্নকাৰী সত্তা । ইয়াত নাৰীবাদ উচ্চস্বৰে নহয়, কিন্তু গভীৰ আৰু বৌদ্ধিকভাৱে শক্তিশালী । নিৰুপমা বৰগোহাঁইৰ উপন্যাসসমূহতো নাৰীৰ মানসিক দ্বন্দ্ব, আত্মপ্ৰতিষ্ঠা আৰু সামাজিক সংগ্ৰাম স্পষ্টভাৱে প্ৰতিফলিত ।

সমসাময়িক অসমীয়া সাহিত্যত অনুৰাধা শৰ্মা পূজাৰী, অৰুপা পটংগীয়া কলিতা, জুৰি বৰা বৰগোহাঞি, মনালিছা শইকীয়া আদিৰ ৰচনাত আধুনিক নাৰী আত্মসংঘাত, আত্ম-পৰিচয় আৰু স্বাধীনতাৰ সন্ধানত উপস্থিত। এই সাহিত্যত নাৰী বাহ্যিক সমাজৰ লগতে নিজৰ আভ্যন্তৰীণ সীমাবদ্ধতাৰ সৈতেও যুঁজ কৰে। ইয়াত মুক্তি কেৱল সামাজিক কাঠামোতেই সীমাবদ্ধ নহয়; ই মানসিক আৰু অস্তিত্বগত মুক্তিৰ প্ৰশ্ন ।

কাব্য সাহিত্যত নলিনীবালা দেৱীৰ দৰে কবিৰ ৰচনাত নাৰীৰ অন্তৰ্জগত সূক্ষ্মভাৱে প্ৰকাশ পায়। সমসাময়িক কবিতাত নাৰী শৰীৰ আৰু ইচ্ছা ৰাজনৈতিক বিষয় হিচাপে পৰিগণিত হৈছে- দেহ এতিয়া কেৱল ব্যক্তিগত নহয়; ই ক্ষমতাৰ ক্ষেত্ৰ ।

নাট্য সাহিত্যত নাৰীবাদ তুলনামূলকভাৱে সীমিত যদিও আধুনিক নাটকত নাৰী পাত্ৰ অধিক সক্ৰিয়, সিদ্ধান্তগ্ৰহণকাৰী আৰু সংঘাতপ্ৰৱণ ৰূপত দেখা যায়।

বিশ্ব সাহিত্য আৰু অসমীয়া সাহিত্যৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য হ'ল-বিশ্ব সাহিত্যত নাৰীবাদ প্ৰায়ে এক সংগঠিত বৌদ্ধিক আন্দোলনৰ ৰূপত বিকশিত হৈছে, আনহাতে অসমীয়া সাহিত্যত ই অধিক সামাজিক অভিজ্ঞতা আৰু সাংস্কৃতিক বাস্তৱতাৰ সৈতে জড়িত । বিশ্ব সাহিত্যত "নাৰী-দেহ" এক ৰাজনৈতিক পাঠ্য, কিন্তু অসমীয়া সাহিত্যত নাৰী-দেহ প্ৰায়ে সামাজিক লজ্জা, নীৰৱতা আৰু সহনৰ ক্ষেত্ৰ হিচাপে উপস্থাপিত হয় । তথাপিও আধুনিক অসমীয়া সাহিত্যত এই দৃষ্টিভংগী ধীৰে ধীৰে পৰিবৰ্তিত হৈছে ।

বিষয়-সীমা অতিক্ৰম কৰা বহুবিষয়ক দৃষ্টিভংগীৰে চালে দেখা যায় যে বিশ্ব সাহিত্যত নাৰীবাদে জাতি, বৰ্ণ, শ্ৰেণী আৰু উপনিবেশিক অভিজ্ঞতাৰ সৈতে নাৰীৰ অৱস্থান বিশ্লেষণ কৰিছে। অসমীয়া সাহিত্যতো এই ধাৰা বিশেষভাৱে প্ৰাসংগিক, কিয়নো ইয়াত নাৰীৰ অভিজ্ঞতা কেৱল লিংগৰ দ্বাৰাই নহয়, ভাষাগত, জাতিগত আৰু ৰাজনৈতিক বাস্তৱতাৰ দ্বাৰাও প্ৰভাৱিত ।এই ক্ষেত্ৰত অসমীয়া নাৰীবাদী সাহিত্য বিশ্ব নাৰীবাদৰ সৈতে এক সংলাপত প্ৰৱেশ কৰিছে বুলি ক'ব পাৰি ।

সাৰাংশত ক'ব পাৰি যে বিশ্ব সাহিত্য আৰু অসমীয়া সাহিত্য-দুয়োটাই নাৰীবাদী দৃষ্টিভংগীৰ জৰিয়তে সাহিত্যক অধিক বহুমাত্ৰিক আৰু মানবিক কৰি তুলিছে। বিশ্ব সাহিত্যই নাৰীবাদী তত্ত্বৰ গভীৰতা প্ৰদান কৰিছে, আৰু অসমীয়া সাহিত্যই সেই তত্ত্বৰ সামাজিক বাস্তৱতা দেখুৱাইছে । এই দুয়োটাৰ সংযোগে নাৰীবাদী সাহিত্য সমালোচনা এক শক্তিশালী বৌদ্ধিক অস্ত্ৰ হিচাপে গঢ় লৈ উঠিছে, যিয়ে নাৰী কণ্ঠক ইতিহাসৰ নীৰৱ প্ৰান্তৰ পৰা কেন্দ্ৰলৈ আনি স্থাপন কৰিছে ।

# পুৰতিনিশা মেঘালয়ৰ

উপস্থিত হৈ অভিযান আৰম্ভ কৰিছে। অৱশ্যে পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কু এলেকাত সংঘটিত দুৰ্ঘটনাটোত সন্ধিয়া পৰ্যন্ত ১৮জন শ্ৰমিকৰ মৃত্যু হোৱাটো মেঘালয়ৰ আৰক্ষী সঞ্চালকপ্ৰধান আই নংৰাঙে নিশ্চিত কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে ঘটনাস্থলীত ইতিমধ্যে অভিযান আৰম্ভ কৰিছে উদ্ধাৰকাৰী দলে। বিস্ফোৰণৰ সময়ত খনিটোৰ ভিতৰত থকা শ্ৰমিকৰ সংখ্যা এতিয়াও নিৰ্ণয় কৰিব পৰা হোৱা নাই। অধিকসংখ্যক লোক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। সেইদৰে পূব জয়ন্তীয়া পাহাৰ জিলাৰ আৰক্ষী অধীক্ষক বিকাশ কুমাৰে কয় যে বিস্ফোৰণৰ কাৰণ এতিয়ালৈকে স্পষ্ট হোৱা নাই। এই সন্দৰ্ভত তদন্ত কৰা হ'ব। ইয়াৰ বিপৰীতে স্থানীয় লোকে সংবাদ মাধ্যমৰ আগত কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰিছে। তেওঁলোকে জানিবলৈ দিয়া মতে, ঘটনাস্থলীত ওচৰা-উচৰিকৈ চাৰিটা অবৈধ কয়লা খনি আছিল। প্ৰতিনিশা প্ৰায় ২ বজাতে শ্ৰমিকসকলে খনিৰ ভিতৰত প্ৰৱেশ কৰি কয়লাৰ খনন চলায়। কালিও হয়তো একে সময়তে শ্ৰমিকে খনিৰ ভিতৰত প্ৰৱেশ কৰিছিল। কিন্তু পুৰতিনিশা প্ৰায় ৪ বজাত ইয়াৰে এটা কয়লা খনিত ভয়ংকৰ বিস্ফোৰণে কঁপাই তোলে। লগে লগে ছানি ধৰে জুই আৰু ধোঁৱাই। মূলতঃ মাত্ৰাধিক ডিনামাইট অবৈধভাৱে ব্লাষ্টিং কৰাৰ ফলতে এই অঘটন সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। বিস্ফোৰণটোৰে সমীপতে থকা আন ৩টা খনিকো প্ৰভাৱিত কৰে। সচৰাচৰ একোটা খনিত ৭০ৰ পৰা ৮০জন শ্ৰমিক থাকে। যাৰ বাবে হতাহত হোৱাৰ সংখ্যা যথেষ্ট হ'ব বুলি স্থানীয় লোকৰ দাবী। মৃত শ্ৰমিকসকলৰ ভিতৰত অসমৰ বৰাক উপত্যকাৰো ১০জন আছে বুলি প্ৰকাশ পাইছে। প্ৰাথমিক তথ্য অনুসৰি ইয়াৰে এজন কাটিগড়াৰ বিহাৰা গাঁৱৰ বাসিন্দা। ঘটনাৰ পিছতে মেঘালয় আৰক্ষীৰ লগতে এছডিআৰএফ আৰু এনডিআৰএফৰ জোৱানে উদ্ধাৰ অভিযানত নামি পৰে। কিন্তু উদ্ধাৰ অভিযানত জটিলতাৰ সৃষ্টি কৰিছে বিস্ফোৰণৰ ফলত খহি পৰা পাহাৰৰ এটা অংশই। পাহাৰৰ মাটিয়ে অবৈধ খনিৰ এক বৃহৎ অংশ ঢাকি পেলাইছে। সম্প্ৰতি আৰক্ষীয়ে খনিটোৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰি তেওঁক কৰায়ত্ত কৰিবলৈ অভিযান আৰম্ভ কৰিছে। ইফালে, এই ঘটনাৰ পাছত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শোকাৱহ ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। মোদীয়ে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰে। আনহাতে মন্ত্ৰী কৌশিক ৰায়ক কাটিগড়া সমষ্টিৰ উক্ত লোককেইগৰাকীৰ ঘৰলৈ যোৱাৰ বাবে নিৰ্দেশ দিয়া বুলি জানিবলৈ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- নিহতসকলৰ পৰিয়াললৈ পাঁচ লাখকৈ টকা সাহায্য হিচাপে প্ৰদান কৰা হ'ব। আনহাতে, অসমৰ মুখ্য সচিবে সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত মেঘালয়ৰ মুখ্য সচিবৰ সৈতে যোগাযোগ চলাই আছে।

# ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি। জুবিন গাৰ্গৰ অন্যতম লগৰী তথা বাদ্যযন্ত্ৰৰ সুনিপুণ শিল্পী ৰাজা বৰুৱাক "জীৱনজোৰা সাধনা বঁটা", অসমৰ সুযোগ সন্তান জলকোঁৱৰ এলবিছ আলীক "লাচিত বৰফুকন বঁটা" আৰু অসমৰ এগৰাকী প্ৰাক্তন বন বিষয়া মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ বাবে "বাঘ সেৱা" বঁটাৰ উপৰিও অসম চৰকাৰৰ পৰা "অসম গৌৰৱ" বঁটাৰে সন্মানীত ধৰণীধৰ বড়োক "বৰলুইত" বঁটা প্ৰদান কৰে। বহু কেইগৰাকী সাংবাদিক কলা কুশলীক তেওঁলোকৰ কৰ্মৰাজিৰ কাৰণে বিশেষ সন্মান বঁটা প্ৰদান কৰে। এইবেলি প্ৰভাতী অসম সংবাদ গোষ্ঠীয়ে প্ৰাতঃটাইম ডিজিটেলৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখনি কাব্যগ্ৰন্থৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। দীপিকা দেৱী কলিতাই প্ৰথম স্থান, জ্যোৎস্না দেৱী ভাগৱতীয়ে দ্বিতীয় স্থান, প্ৰদীপ কুমাৰ দাসে তৃতীয় স্থান লাভ কৰে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ক্ৰমে- পৰিস্মিতা গগৈ, হৰেণ চন্দ্ৰ কলিতা, দিগন্ত কলিতা, প্ৰণতি চৌধুৰী, অনামিকা (সংগীতা)কলিতা আদিক ধৰি বহুত কেইগৰাকী লেখকে। এইবেলি সাংস্কৃতিক মঞ্চত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গ দুয়ো গৰাকী প্ৰাণৰ শিল্পীক শ্ৰদ্ধাঞ্জলি জনাই তেওঁলোকৰ সংগীতৰ ওপৰত নৃত্য-গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বিশেষ ভাবে সক্ষম ব্যক্তিসকলেও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে সকলোবোৰ দেখি মনত বহুত সন্তোষ পালোঁ। এনেকুৱা অনুষ্ঠান হয়তো আঙুলিৰ মূৰত গণিব পৰা ব্যক্তিয়েহে অনুষ্ঠিত কৰিব পাৰে, এয়া সম্ভৱ বিশাল হৃদয়ৰ খনিন্দ্ৰ কলিতা ডাঙৰীয়াৰ দৰে ব্যক্তিৰ কাৰণে ।

# গৌৰৱৰ পত্নীৰ বেংক একাউন্ট

গোপনীয় তথ্য কেনেকৈ মুখ্যমন্ত্ৰীক ক'ব? মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই কথাবোৰ তেওঁ কোৱাৰ পূৰ্বেই গৌৰৱ গগৈয়ে যোৰহাট লোকসভাৰ পৰা নিৰ্বাচন খেলাৰ সময়ত নিজৰ শপতনামাত উল্লেখ কৰিব লাগিছিল। গৌৰৱ গগৈৰ পৰিয়ালৰ সদস্যসকলৰ ধৰ্ম কি বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰশ্ন কৰে। যোৱা আগষ্ট মাহৰ পৰা গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক আছে বুলি কৈ অহাৰ পাছতো তেওঁ কিয় আজিলৈকে গোচৰ তৰা নাই বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আদালতত গ'লে গৌৰৱ গগৈ আকৌ ফচিব বুলি জানিয়েই তেওঁৰ বিৰুদ্ধে গোচৰ তৰা নাই। অহা ৮ ফেব্ৰুৱাৰীত গৌৰৱ গগৈয়ে বহু প্ৰশ্নৰ উত্তৰ দিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তাৰ পাছত তেওঁ সাংসদ হৈ থাকে নে নাথাকে, লোকসভাৰ উপ-দলপতি হৈ থাকে নে নাথাকে, সেয়া তেওঁৰ মানসিকতাৰ কথা। অহা ৭ ফেব্ৰুৱাৰীত কেবিনেটত বিষয়টো আলোচনা হ'ব আৰু কেবিনেটত যিটো সিদ্ধান্ত হ'ব ৮ ফেব্ৰুৱাৰীত সংবাদ মেলযোগে সদৰী কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ইণ্টাৰপ'লৰ সহায় ল'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কোনো কেন্দ্ৰীয় সংস্থাৰ জৰিয়তে, যাৰ আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আছে তেওঁলোকৰ জৰিয়তে বিষয়টো অধিক গভীৰলৈ গৈ তদন্ত কৰিব লাগিব। কাৰণ অসম আৰক্ষীয়ে এটা নিৰ্দিষ্ট দূৰত্বৰ পাছত আগবাঢ়িব নোৱাৰে। তথাপি অসম আৰক্ষীয়ে বহুত ভাল তদন্ত কৰিছে। গৌৰৱ গগৈয়ে তেওঁৰ পত্নী-সন্তানক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ বাবে এতিয়াও আবেদন কৰা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তেওঁ ভাবিছে ভাৰতীয় আৰু অসমীয়া মানুহক বুঢ়া আঙুলি দেখুৱাই চলিম। মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে অহা ৮ ফেব্ৰুৱাৰীত গৌৰৱ গগৈৰ বিৰুদ্ধে তেওঁ ডাঙৰ অভিযোগ প্ৰমাণসহকাৰে আনিবলৈ গৈ আছে। ইয়াৰ পূৰ্বে নিশ্চিতভাৱে তেওঁলোকে এতিয়া ড° শৰ্মাক অলপ বদনাম কৰা, অলপ অপমান কৰাৰ চেষ্টা নিশ্চিতভাৱে চলাব। কিন্তু তেওঁলোকে কোনো এটা প্ৰমাণ কৰিব নোৱাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট কথা- তেওঁ ৰাজনীতিলৈ অহাৰ পৰা আজিলৈকে কোনেও তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ সৰু প্ৰমাণ এটাও কৰিব পৰা নাই। তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱা কংগ্ৰেছ নেতাকেইজনৰ বিৰুদ্ধে ৯ ফেব্ৰুৱাৰীত আদালতত গোচৰ তৰিব বুলি উল্লেখ কৰে।

# কেন্দ্ৰ-নাগালেণ্ড চৰকাৰ

চুক্তিৰ জৰিয়তে পাহাৰীয়া জিলাখনৰ ৬খন জিলা ক্ৰমে টুবেনছাং, মন, কিফিৰে, লংলে, নোক্লক আৰু শ্বামেটৰ জিলাক সামৰি গঠন হ'বলগা এফএনটিএত ৪৬টা বিষয়ৰ ক্ষেত্ৰত ক্ষমতাৰ বিভাজন কৰা হ'ব। ঐতিহাসিক চুক্তি স্বাক্ষৰিত অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে উত্তৰ-পূবৰ বাবে আজিৰ দিনটো এক উল্লেখযোগ্য দিন। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এনে এখন উত্তৰ-পূৰ্বাঞ্চলৰ কল্পনা কৰিছে য'ত বিদ্ৰোহ-হিংসা-বিবাদৰ পৰা মুক্ত হৈ বিকাশৰ যাত্ৰাত আগবাঢ়ে। আজি আমি সেই দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত এখোজ আগুৱাই গৈছোঁ। ৰৰ বছৰ পূৰ্বে উত্তৰ-পূবৰ কেইবাটাও সশস্ত্ৰ সংগঠনৰ বিবাদে অঞ্চলটোক খণ্ডিত হোৱাৰ দিশে ঠেলি দিছিল, শান্তি বিঘ্নিত হৈছিল, একে সময়তে আন্তঃৰাজ্যিক বিবাদে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ শান্তি বিঘ্নিত কৰিছিল। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এনে বিবাদসমূহৰ সমাধান উলিয়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয় আৰু ২০১৯ চনৰ পৰা উত্তৰ-পূবত ১২খনকৈ শান্তি চুক্তি স্বাক্ষৰিত হয়। পূৰ্বৰ চৰকাৰসমূহে কেৱল চুক্তিসমূহ স্বাক্ষৰ কৰিছিল যদিও ইয়াক কাৰ্যকৰী কৰা নাছিল। কিন্তু প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন চৰকাৰখনে চুক্তিৰ দফাসমূহ আখৰে আখৰে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰি আহিছে। গৃহমন্ত্ৰীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে নাগালেণ্ড সৃষ্টিৰ পৰাই ৰাজ্যখনৰ নাগৰিকসকলে অহৰহ এক অনুভৱ অন্তৰত পুহি ৰাখিছিল যে তেওঁলোকে ন্যায় লাভ কৰা নাই। কিন্তু শেহতীয়া চুক্তিসমূহ কাৰ্যকৰী হোৱাৰ পাছত এই সন্দেহ তথা অনুভৱ দূৰ হৈছে। আজি কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ সকলো বিবাদ অন্ত পেলোৱাৰ দিশত এখোজ আগুৱাই গৈছে। এতিয়া পূব নাগালেণ্ডৰ উন্নয়নৰ পথত কোনো বাধা নাথাকিব। আজি সম্পাদিত চুক্তিখনে জনসাধাৰণৰ প্ৰকৃত আকাংক্ষা পূৰণ কৰিব। কেন্দ্ৰীয় চৰকাৰ আৰু নাগালেণ্ড চৰকাৰে যৌথভাৱে পূব নাগালেণ্ডৰ উন্নয়ন আগবঢ়াই নিব। উল্লেখ্য যে আজি সম্পাদিত ত্ৰিপাক্ষিক চুক্তিয়ে ভাৰতীয় সংবিধানৰ ৩৭১ (ক) অনুচ্ছেদক প্ৰভাৱান্বিত কৰা বুলি চলা চৰ্চাকো গৃহমন্ত্ৰী অমিত শ্বাহে নস্যাৎ কৰে। এই চুক্তিখনৰ জৰিয়তে অন্যান্য বিষয়ৰ লগতে পূব নাগালেণ্ডৰ ৬খন জিলাক সামৰি অতিৰিক্ত মুখ্য সচিব, প্ৰধান সচিবৰ নেতৃত্বত এটা মিনি সচিবালয় স্থাপন কৰা হ'ব।

# গুৱাহাটী বিশ্ববিদ্যালয়-জ্যোতিপ্ৰসাদ

ভৱিষ্যৎ প্ৰজন্মৰ গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ পাঠকৰ বাবে সহজলভ্য কৰাৰ অৰ্থে এক দৃঢ় আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখ্য যে প্ৰিজেৰ্ভেচন এণ্ড ডকুমেন্টেচন অৱ দ্য অৰিজিনেল ৱৰ্কছ অৱ জ্যোতিপ্ৰসাদ আগৰৱালা (Preservation and Documentation of the Original Works of Jyotiprasad Agarwala)- শীৰ্ষক প্ৰকল্পৰ জৰিয়তে সংগ্ৰহ আৰু নথিভুক্ত কৰা সকলো সামগ্ৰীক বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ পুৰণি পাণ্ডুলিপি সংৰক্ষণ শাখাৰ অধীনত যথাযথভাৱে সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ কৰা হ'ব। পৰৱৰ্তী সময়ত বিশেষ সংগ্ৰহালয় স্থাপনেৰে এই সকলোবোৰ উক্ত সংগ্ৰহালয়ত উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপিকা ড° ভাৰতী ভৰালী তথা ছাত্ৰী সংগীতা বৰাই 'জয়মতী' চলচ্চিত্ৰ সম্পৰ্কীয় গৱেষণাৰ সময়ত লাভ কৰা চলচ্চিত্ৰ পাণ্ডুলিপি, চিঠি-পত্ৰ, নাটক, কবিতা আৰু অন্যান্য দুষ্প্ৰাপ্য নথিসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষণ কৰাৰ অৰ্থে এই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। ড° ভাৰতী ভৰালীয়ে উল্লেখ কৰে যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিয়ালকাই গুৱাহাটী বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা এই গুৰুত্বপূৰ্ণ আৰু দূৰদৰ্শী পদক্ষেপক আন্তৰিকতাৰে আদৰণি জনাইছে। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে ৰূপকোঁৱৰদেৱৰ দুষ্প্ৰাপ্য আৰু অমূল্য সৃষ্টিসমূহ সুৰক্ষিতভাৱে সংৰক্ষণ, বৈজ্ঞানিক পদ্ধতিত নথিভুক্তকৰণ আৰু ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ পথ সুগম হৈছে। এই বুজাবুজিৰ চুক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক দায়িত্ববোধৰ এক উজ্জ্বল নিদৰ্শন আৰু অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ। উক্ত কৰ্মত বিভিন্ন ক্ষেত্ৰত সহায় কৰা সকলো ব্যক্তিক তথা ছাত্ৰী সংগীতাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। চুক্তি স্বাক্ষৰ অনুষ্ঠানত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিয়ালবৰ্গৰ লগতে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক অধ্যাপক ৰাজীৱ সন্দিকৈ, কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক ড° প্ৰশান্ত ডেকা, যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড° চন্দন গোস্বামী, অধ্যাপক অংকুৰণ দত্ত, পৰিৱেশ কলা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অধ্যাপক প্ৰাঞ্জল শইকীয়া, উপাচাৰ্যৰ বিশেষ কৰ্তব্যৰত বিষয়া ড° সঞ্জয় কুমাৰ দত্ত, উপাচাৰ্যৰ সচিব আৰু জনসম্পৰ্কৰক্ষী বিষয়া ড° মৃণালজ্যোতি ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম ২.০ৰ

আন্দোলন আদিকে ধৰি বিভিন্ন কামত নিজৰ শক্তি ব্যয় কৰিছিল। কিন্তু বিগত কেইটামান বছৰৰ ভিতৰতে ৰাজ্যত এক ইতিবাচক পৰিৱেশৰ সৃষ্টি হৈছে। এনে ইতিবাচক পৰিৱেশৰ বাবেই ৰাজ্যত উদ্যম প'ৰ্টেলৰ অধীনত এমএছএমইৰ পঞ্জীয়ন ২০২০ চনৰ ৯, ৩৭১ৰ পৰা ৩০ গুণ বৃদ্ধি হৈ ২০২৪ চনত ২.৮৫ লাখ হৈছে। বৰ্তমান ৰাজ্যত উদ্যম প'ৰ্টেলত ১২.৭ লাখৰো অধিক এমএছএমই পঞ্জীয়ন হৈ আছে আৰু এইসমূহে সৃষ্টি কৰা মুঠ কৰ্মসংস্থাপনৰ সংখ্যা ৮২ লাখৰো অধিক। তেওঁ লগতে সদৰী কৰে যে অসমৰ দৰে সৰু ৰাজ্য এখনত ২০২৫ চনৰ মাৰ্চ মাহলৈকে ৩০, ৭৭৩ কোটিৰো অধিক টকাৰ ঋণ ক্ষুদ্ৰ উদ্যোগীসকলক প্ৰদান কৰাৰ উপৰি মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালৰ চাৰিটা বিত্তীয় বৰ্ষত বেংকসমূহে এমএছএমইসমূহক প্ৰায় ৰ লাখ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। তেওঁ লগতে জানিবলৈ দিয়ে যে 'আছাম ক্ৰেডিট গেৰাণ্টী' আঁচনিৰ অধীনত চ০২৪-২৫ বৰ্ষত প্ৰায় ৭৬ হাজাৰ এমএছএমইক ৬, ৪৩৬ কোটি টকাৰ ঋণ আগবঢ়োৱা হৈছে। অসমলৈ অহা এইধৰণৰ পৰিৱৰ্তনসমূহ বহুতৰ বাবে অভাৱনীয় আছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চৰকাৰী চাকৰি সকলোৱে লাভ নকৰে আৰু চৰকাৰী চাকৰিয়ালসকলৰ আনক নিয়োগ কৰাৰ সামৰ্থ্য নাথাকে। কিন্তু ইয়াৰ বিপৰীতে যিসকলে ব্যৱসায় বা উদ্যোগ স্থাপন আদিৰ জৰিয়তে নিজকে প্ৰতিষ্ঠিত কৰে, তেওঁলোকে আন দহজনকো কৰ্মসংস্থাপন দিয়াৰ সামৰ্থ্য লাভ কৰে। আজিৰ সমাজক এনে নিয়োগকৰ্তাৰ প্ৰয়োজন বুলিও মন্তব্য কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-১.০ৰ অধীনত ৰাজ্যৰ ২৫, ২৭৭ গৰাকী উদ্যমীলৈ প্ৰথম পৰ্যায়ৰ ধনৰাশি আগবঢ়োৱা হৈছিল। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই অভিযানৰ দ্বিতীয় পৰ্যায়ত আজি ধনৰাশি লাভ কৰাসকলে যাতে নিজ কৰ্মক্ষেত্ৰত আশা কৰা ধৰণে প্ৰতিষ্ঠিত হ'ব পাৰে সেই উদ্দেশ্যে তিনিদিনীয়া এক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশিক্ষণ সমাপ্ত হোৱাৰ লগে লগে তেওঁলোকে দ্বিতীয় পৰ্যায়ত পৰৱৰ্তী ধনৰাশি লাভ কৰিব। অভিযানখন যাতে সফলভাৱে ৰূপায়ণ হয় সেই উদ্দেশ্যে প্ৰতিটো বিধানসভা সমষ্টি সামৰি চিএম ফেল' নিযুক্তি দিয়া হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই ফেল'সকলে উদ্যমীসকলৰ সৈতে পোনপটীয়াকৈ যোগাযোগত থাকি তেওঁলোকৰ ব্যৱসায়ৰ অগ্ৰগতি সম্পৰ্কে জানি-বুজি লোৱাৰ লগতে প্ৰয়োজনীয় সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব যাতে উদ্যমীসকলে নিজৰ ব্যৱসায়ত সফল হ'ব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই অভিযানৰ প্ৰথম পৰ্যায়ৰ ফলাফল অতি ইতিবাচক আৰু ৰাজ্য চৰকাৰে ৰাজ্যৰ যুৱ সমাজৰ প্ৰতি গভীৰ আস্থা ৰাখি তেওঁলোকক আত্মনিৰ্ভৰ কৰি তোলাৰ লক্ষ্যৰে এইদৰে ধনৰাশি প্ৰদানৰ ব্যৱস্থা কৰিছে। তেওঁ কয়- 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-২.০ৰ বাবে ১ লাখতকৈও অধিক আবেদন আমি লাভ কৰিছিলোঁ। মোৰ বিশ্বাস যে এই অভিযানৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে আমি কমেও পাঁচ লাখ আবেদন লাভ কৰিম। আগন্তুক পাঁচ বছৰত প্ৰতিবছৰে দুই লাখকৈ মুঠ দহ লাখ যুৱক-যুৱতীক এই অভিযানৰ জৰিয়তে সহায় আগবঢ়োৱাৰ বাবে আমি লক্ষ্য লৈছোঁ।' ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে অসমৰ যুৱক-যুৱতীয়ে কাম নকৰে বুলি একাংশ লোকে এক ধাৰণাৰ সৃষ্টি কৰিব বিচাৰে। সেয়া সলনি কৰিবলৈ আজি ধনৰাশি লাভ কৰা উদ্যমীসকলক নিজ নিজ কৰ্মক্ষেত্ৰত সফল হ'বৰ বাবে আন্তৰিকতাৰে প্ৰচেষ্টা গ্ৰহণ কৰি অসমত কৰ্মসংস্কৃতিৰ এক উন্নত পৰিৱেশ গঢ়িবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- 'কেৱল শ্লোগানেৰে এটা জাতি জীয়াই নাথাকে, আমি কামেৰে অসমীয়া জাতিক ৰক্ষা কৰিম- এই সংকল্প আমি সকলোৱে ল'ব লাগিব।' এই অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সমবায় আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক অতুল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, ভবেশ কলিতা, দিগন্ত কলিতা, সুমন হৰিপ্ৰিয়া, হেমাংগ ঠাকুৰীয়া, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব জে বি এক্কাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি তথা শীৰ্ষ বিষয়া উপস্থিত থাকে।

# ষষ্ঠবাৰলৈ ১৯ বছৰ অনূৰ্দ্ধ

বৈভৱ সূৰ্যবংশীয়ে আৰম্ভণিৰে পৰা বিধ্বংসী বেটিঙেৰে ইংলেণ্ডৰ বলাৰসকলক স্তম্ভিত কৰি তোলে। বৈভৱে ৫৫টা বলতে জুনিয়ৰ বিশ্বকাপৰ দ্বিতীয় দ্ৰুততম শতক অৰ্জন কৰে। ৮০টা বলত ১৫টা ৬ আৰু ১৫টা ৪ৰে বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখনৰ ইতিহাসতে সৰ্বোচ্চ ব্যক্তিগত ৰান সংগ্ৰহকাৰী হিচাপে পৰিগণিত হয় ১৪ বছৰীয়া বেটছমেনগৰাকী। এই খেলখনত বৈভৱৰে দ্বিতীয় উইকেটত অধিনায়ক আয়ুস মাত্ৰেৰ সৈতে ১৪২ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ২৫১ ৰানত ব্যক্তিগত ১৭৫ ৰান সংগ্ৰহ কৰি আউট হয় বৈভৱ। ইয়াৰ পিছতে অধিনায়ক আয়ুস মাত্ৰেই ৫৩ ৰানৰ দায়িত্বশীল ইনিংছ খেলে। ভাৰতৰ বেদান্ত ত্ৰিবেদীয়ে ৩২, বিহান মালহোত্ৰাই ৩০, অভিজ্ঞান কুণ্ডুৱে ৪০ আৰু কনিষ্ক চৌহানে ৩৭ ৰানৰ বৰঙণি আগবঢ়ায়। ইফালে বিশাল ৪১২ ৰানৰ লক্ষ্য লৈ খেল আৰম্ভ কৰা ইংলেণ্ড দলটোৱে প্ৰথম অৱস্থাত লেহেমীয়া গতিৰে খেল আৰম্ভ কৰে। দলটোৰ অ'পেনাৰ বেন ডকিন্সে ৬৬ ৰান কৰিলেও আনগৰাকী অ'পেনাৰ যোছেফ ব্যৰ্থ হয়। টপ অৰ্ডাৰ বেটছমেনকেইজনেও খেলত বেছি সময় টিকি থাকিব নোৱাৰিলে। অৱশ্যে মিডল অৰ্ডাৰ বেটছমেন কালেব ফেলকনাৰে ৬৭টা বলত ৯টা চাৰি, ৭টা ছয়েৰে ১১৫ ৰানৰ ব্যক্তিগত ইনিংছেৰে দলটোক সন্মানজনক স্থিতিত উপনীত কৰায় যদিও ১০০ ৰানৰ ব্যৱধানত ইংলেণ্ড পৰাজিত হয়। ভাৰতৰ হৈ আৰ এছ অম্বৰীশে সৰ্বাধিক তিনিটা উইকেট দখল কৰে। ইফালে বিস্ফোৰক বেটছমেন বৈভৱ সূৰ্যবংশীয়ে ফাইনেলৰ মেন অৱ দ্য মেচ আৰু মেন অৱ দ্য ছিৰিজ সন্মান লাভ কৰে।

# ১৪ ফেব্ৰুৱাৰীত অসমলৈ

খেলপথাৰলৈ গৈ ভাৰতীয় জনতা পাটীৰ বুথ সন্মিলন সভা এখনত অংশগ্ৰহণ কৰিব। বুথ সন্মিলনত অংশগ্ৰহণ কৰি পিছত মোদী ডিব্ৰুগড়লৈ যাব আৰু ডিব্ৰুগড়ৰ মৰাণৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত প্ৰধানমন্ত্ৰীৰ বিমান অৱতৰণ কৰিব। সেই সময়তে ভাৰতীয় বায়ুসেনাৰ ৰাফেল, ছুখয় আদিকে ধৰি বিভিন্ন বিমান আহি অৱতৰণ কৰিব। তাত প্ৰধানমন্ত্ৰী মোদী ৩০-৪০ মিনিট সময় কটাব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা মাৰ্চ মাহত প্ৰধানমন্ত্ৰী মোদী পুনৰ অসম ভ্ৰমণলৈ আহিব। আনহাতে প্ৰধানমন্ত্ৰী মোদীৰ আগমনক লৈ তৎপৰ হৈ পৰিছে ডিব্ৰুগড় জিলা প্ৰশাসন, ইএলএফ নিৰ্মাণৰ লগত জড়িত প্ৰতিষ্ঠান আৰু ভাৰতীয় বায়ুসেনা। উল্লেখ্য ডিব্ৰুগড় জিলাৰ মৰাণ বাইপাছৰ জটিয়নীত চাৰিলেনযুক্ত পথৰ ৪২ কিল'মিটাৰ অংশ নিৰ্মাণ কৰা হৈছে ইএলএফ হিচাপে। ভাৰতীয় বায়ুসেনাৰ তত্বাৱধানত পশ্চিমবংগৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানে এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তুলিছে। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম এইজৰুৰী অৱতৰণ সেৱাই মৰাণলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিছে। এতিয়া দেশৰ আপাতকালীন পৰিস্থিতিৰ সময়ত মৰাণৰ ৰাজপথটো যিকোনো সময়তে অৱতৰণ কৰিব পাৰিব ভাৰতীয় বায়ুসেনাৰ ৰাফেল, সুখয়, মিগ আদি যুঁজাৰু বিমান। প্ৰধানমন্ত্ৰীৰ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি এক এয়াৰ শ্ব' অনুষ্ঠিত কৰাৰ সম্ভাবনাও ইতিমধ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই ব্যক্ত কৰিছে। এইলৈ এতিয়া প্ৰাৰম্ভিক প্ৰস্তুতি পৰিলক্ষিত হৈছে মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এই বিশেষ স্থানত।

# গৌৰৱৰ পাকিস্তান

গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শনিবাৰে নিশা দিছপুৰৰ লোকসেৱা ভৱনত অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক, ব্ৰিটিছ নাগৰিক পত্নী এলিজাবেথ কলবাৰ্ন গগৈ আৰু পাকিস্তানী নাগৰিক আলী তৌকিৰ শ্বেখৰ ভাৰতবিৰোধী ষড়যন্ত্ৰৰ তদন্ত কৰি এছআইটিয়ে দাখিল কৰা প্ৰতিবেদনখন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে অসম কেবিনেটে। মূলতঃ সমগ্ৰ বিষয়টো আৰু অধিক গভীৰলৈ গৈ কেন্দ্ৰীয় সংস্থাৰ দ্বাৰা তদন্ত কৰাৰ স্বাৰ্থত প্ৰতিবেদনখন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণৰ সিদ্ধান্ত লয়। সংবাদ মেলখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰায় ডেৰ ঘণ্টাজুৰি চলা এই কেবিনেটত এছআইটিৰ প্ৰতিবেদনখন বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু সমগ্ৰ বিষয়টো অধিক গভীৰলৈ গৈ তদন্ত কৰাৰ বাবে গৃহ মন্ত্ৰালয়লৈ হস্তান্তৰৰ সিদ্ধান্ত লোৱা হয়। এনআইএ বা আন তদন্তকাৰী সংস্থাই পৰৱৰ্তী তদন্তৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিব। ইয়াৰ বাবে অসম চৰকাৰে এছআইটিৰ প্ৰতিবেদন আৰু বিষয়টো সম্পৰ্কত পঞ্জীভূত গোচৰ দুয়োটাই গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আৰক্ষীৰ এছআইটিয়ে ভাল তদন্ত কৰিছে। কিন্তু অসম আৰক্ষী বহু আগবাঢ়ি গ'ল যদিও স্পৰ্শকাতৰ বিষয়টোৰ ক্ষেত্ৰত সেয়াই যথেষ্ট নহয়। কাৰণ এই সমগ্ৰ বিষয়টোত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ, তেওঁৰ পত্নী ব্ৰিটিছ নাগৰিক এলিজাবেথ কলবাৰ্ন গগৈ আৰু পাকিস্তানী নাগৰিক আলী তৌকিৰ শ্বেখ জড়িত হৈ আছে। সাংসদ গৌৰৱ গগৈৰ পাকিস্তানলৈ অহা-যোৱাৰ তথ্য এছআইটিয়ে লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু ২০১২ চনৰ টেলিফোনিক বাৰ্তালাপ, ইলেক্ট্ৰ'নিক তথ্য অসম চৰকাৰে উদ্ধাৰ কৰিব নোৱাৰে। ভাৰত চৰকাৰেহে উদ্ধাৰ কৰিব পাৰিব। এই তদন্তত ইণ্টাৰপ'লৰ সহায়ৰ প্ৰয়োজন আছে। সেয়ে অসম চৰকাৰে বিষয়টো কেন্দ্ৰীয় সংস্থাৰ দ্বাৰা তদন্ত কৰাটো বিচাৰিছে। ইয়াৰ বাবে গোচৰটো সম্পৰ্কত অসম চৰকাৰে চাৰ্জশ্বীট দিয়াৰ পৰিৱৰ্তে গোচৰ আৰু এছআইটিৰ তদন্তৰ প্ৰতিবেদন গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। দেওবাৰে পুৱা ১০.৩০ বজাত দিছপুৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই এক সংবাদ মেলযোগে ৰাষ্ট্ৰীয় আৰু অসমৰ সংবাদ মাধ্যমৰ আগত এছআইটিৰ প্ৰতিবেদনখনৰ বিষয়ে সদৰী কৰিব বুলি প্ৰকাশ কৰে।

# বটদ্ৰৱাত গৌৰৱ গগৈক

শিক্ষা গ্ৰহণ কৰা মহেন্দ্ৰ কন্দলি বিদ্যাপীঠৰ অৱস্থিতি থকা কামপুৰ সত্ৰ এতিয়া বেদখলকাৰীৰ কবলত। কংগ্ৰেছ দলৰ সত্ৰৰ ভূমি বেদখল মুকলি কৰাৰ কি এজেণ্ডা আছে? বিজেপি কৰ্মীৰ এনে প্ৰতিবাদৰ বিপৰীতে কংগ্ৰেছৰ সমৰ্থকসকলেও গৌৰৱ গগৈ জিন্দাবাদ, কংগ্ৰেছ জিন্দাবাদ আদি ধ্বনিৰে বিজেপি সমৰ্থকসকলক উভতি ধৰে। এখন বিশেষ বাহনেৰে বটদ্ৰৱাত উপস্থিত হোৱা কংগ্ৰেছৰ এই দলটোত আছিল ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং, মনোজ চৌহান, ৰকিবুল হুছেইন, প্ৰদ্যুৎ বৰদলৈ, ভূপেন বৰা, দেৱব্ৰত শইকীয়া, ৰিপুণ বৰা, দুৰ্লভ চমুৱাকে ধৰি একাংশ জ্যেষ্ঠ নেতা। কংগ্ৰেছৰ দলটোৱে বটদ্ৰৱা থানত সোমাবলৈ চেষ্টা কৰোঁতে বিজেপি দলে বাধা দিয়াত দুয়োটা দলৰ মাজত হতাহতিৰ সৃষ্টি হয়।

# বিজেপিৰ যুৱ মৰ্চাক

সমষ্টিৰ যুৱ সন্মিলনত জিলাৰ সভাপতি সাগৰ সোণোৱাল, ৰাজ্যিক উপ-সভাপতি বিদ্যুৎ গগৈ, ডিব্ৰুগড় সমষ্টিৰ নিৰ্বাচনীৰ সমিতিৰ অধ্যক্ষ মাধ্যুৰ্য নাথ আদি কৰ্মীসকল উপস্থিত থাকে। সভাত প্ৰায় তিনি সহস্ৰাধিক যুৱক তথা নতুনকৈ ভোটাধিকাৰ সাব্যস্ত কৰিব লগা যুৱক সকলক শেহতীয়াকৈ বিজেপিৰ উন্নয়ন মূলক আঁচনি সমূহৰ বিষয়ে ভাষণ প্ৰসংগত সিঙে উল্লেখ কৰে। উল্লেখযোগ্য যে, ডিব্ৰুগড় সমষ্টিৰ পৰা চাৰি বাৰকৈ নিৰ্বাচিত হোৱা প্ৰশান্ত ফুকন এইবাৰ প্ৰাৰ্থীত্ব লাভৰ আশা কৰি আছে। অৱশ্যে এই ডিব্ৰুগড় সমষ্টিত কেইবাখনো নতুন মুখৰ আৰ্বিভাৱ হৈছে যদিও সমষ্টিটোত ফুকনেই একমাত্ৰ শক্তিশালী হিচাপে অৱতীৰ্ণ হৈ আছে। ডিব্ৰুগড়ক বিজেপিৰ অন্যতম দুৰ্গ হিচাপে পৰিগণিত কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰা ফুকনে এইবাৰ যুৱশক্তিক লক্ষ্য কৰি লৈছে।

# ENGLISH NEWS SECTION

## Governor attends the 9th edition of Pariksha Pe Charcha-2026 with students in Guwahati




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 9th edition of Pariksha Pe Charcha-2026, an inspiring interactive programme of Prime Minister Narendra Modi with the examinees as he listened to the Prime Minister by remaining present with the students at PM Shri Kendriya Vidyalaya, Borjhar, Guwahati. After the programme was over, Governor Shri Acharya said, "Sitting with the students and listening to the Prime Minister, reminds him of his school days. However, things would have been completely different, had the students of that time got the opportunity to interact with the Prime Minister before their examinations". The Governor said that Pariksha Pe Charcha is not just a programme, but a meaningful dialogue that instils self-confidence, positive life values and a fearless approach towards learning. He observed that the Prime Minister's motivating words encourage students to rise above the pressure of marks, believe in their own abilities and view examinations as opportunities for growth rather than sources of fear. Addressing the students, Governor Shri Acharya said that interacting directly with the Prime Minister is a rare and memorable moment in a student's life. He described Pariksha Pe Charcha as a transformative movement that promotes self-reflection, emotional balance and holistic development, while reinforcing the idea that examinations test knowledge, not one's true potential.

## Harshit Rana ruled out of T20 World Cup 2026




RB News: Team India fast bowler Harshit Rana has been ruled out of T20 World Cup 2026 after suffering an injury during the team's warm-up match against South Africa in Navi Mumbai on Wednesday. Rana's injury occurred during India's T20 World Cup 2026 warm-up match against South Africa on February 4, when he was forced to abandon his bowling spell after twice pulling out of his run-up. The right-arm pacer left the field clutching his knee, having bowled just one over that went for 16 runs. Pacer Mohammed Siraj has been named his replacement.

## Josh Hazlewood ruled out of T20 World Cup




RB News: Australia have received yet another major setback in their build-up to the T20 World Cup 2026. Australia fast bowler Josh Hazlewood has been ruled out of T20 World Cup 2026 after he failed to recover from his hamstring injury in time. Earlier, Pat Cummins was ruled out of the tournament after failing to recover fully from his back injury. Australia's national selector Tony Dodemaide said that they will not be naming a replacement player immediately.

## RCB lift second WPL trophy



RB News: Royal Challengers Bengaluru (RCB) defeated Delhi Capitals (DC) by six wickets in Women's Premier League (WPL) 2026 final on Thursday to win their second WPL title. DC posted a total of 203/4 and RCB chased down the target in 19.4 overs, registering the highest-ever chase in WPL history. DC have now lost four WPL finals in a row.

## SC lifts ban on Anurag Thakur from participating in BCCI affairs



RB News: The Supreme Court on Thursday lifted the ban on BJP leader and Lok Sabha MP Anurag Singh Thakur from participating in the affairs of the Board of Control for Cricket in India (BCCI), holding that a lifelong restriction on the former BCCI president was neither intended nor justified. In 2017, the top court had removed him as BCCI president and directed that he cease any association with the board after a dispute over implementing mandated reforms. Thakur served as President of the Board of Control for Cricket in India (BCCI) from May 2015 to February 2017.

## Assam Governor reviews implementation of NEP 2020 in the educational institutions in Upper Assam

Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended a review meeting on the implementation of the National Education Policy (NEP) 2020 in the affiliated colleges to the Universities of Upper Assam in Dibrugarh University. He also chaired an interactive session with the officials of secondary education to take stock of the implementation of NEP 2020 in the schools. During the meeting, the Governor took stock of the implementation of the NEP as he took feedback from the Vice Chancellors and Principals, senior government officials, and eminent educationists on the structural and academic reforms being undertaken in the institutions of higher education and schools across Upper Assam. The discussions focused on strengthening academic quality, institutional reforms, and effective implementation of policy objectives. The Governor underscored that the active co-operation and commitment of educational institutions are vital to realizing the vision of NEP 2020. He emphasised on the student-centric approaches being under taken by institutions. The Governor during the meeting provided a renewed vision, clear direction, and long-term objective to the state's education system to become model in the implementation of the NEP.



# প্ৰতিশ্ৰুতিৰ মিছা সোঁত

আত্মৰক্ষা আহে। মানুহে লাহে লাহে কম কথা ক'বলৈ শিকে, কম আশা কৰিবলৈ শিকে। বাহিৰে চাওঁতে সেয়া পৰিপক্কতা যেন লাগে, কিন্তু ভিতৰত ই এক প্ৰকাৰৰ ক্লান্তি-বাৰে বাৰে ভঙা আশা জোৰা লগাব নোৱাৰাৰ ক্লান্তি।

আজিৰ সময়ত এই মিছা প্ৰতিশ্ৰুতি প্ৰায়ে "ভদ্ৰ আচৰণ"ৰ আৱৰণ পিন্ধি আহে। কোনোবাই স্পষ্টকৈ অস্বীকাৰ নকৰে, কাৰণ অস্বীকাৰ কৰিলে নিজকে কঠোৰ দেখুৱাব লাগিব। তাৰ সলনি মানুহে আধা-কথা, অস্পষ্ট আশ্বাস, আৰু সময়হীন বাক্য ব্যৱহাৰ কৰে। এইবোৰ শুনাত মিঠা, কিন্তু ফলত বিষাক্ত। কাৰণ ই মানুহক মুক্ত নকৰে, বান্ধি ৰাখে-এটা সম্ভাৱনাৰ লগত, যিটো কেতিয়াও পূৰণ নহয়।

আশাৰ ওপৰত গঢ়ি উঠা এই মিছা সোঁত বিশেষকৈ সংবেদনশীল মানুহবোৰৰ বাবে বিপজ্জনক। যিসকলে গভীৰভাৱে বিশ্বাস কৰে, সিহঁত এই সোঁতত সৰ্বাধিক ডুব যায়। সমাজে প্ৰায়ে সিহঁতক "বেছি আশা কৰা", "অতি সৰল" বুলি ক'ব খোজে। কিন্তু সৰলতা দোষ নহয়; দোষ হ'ল সৰলতাৰ ওপৰত খেলি যোৱা মানসিকতা।

লাহে লাহে এই প্ৰৱণতাই সমাজখনক এক অদ্ভুত ঠাইলৈ লৈ যায়-য'ত সততাই অদ্ভুত যেন লাগে। কথা দি কথা ৰখা মানুহক বিৰল বুলি কোৱা হয়। যি মানুহে প্ৰতিশ্ৰুতি ৰাখে, তেওঁক "বিশেষ" বুলি ধৰা হয়। এসময়ত কথা ৰখাটোৱেই মানুহৰ সাধাৰণ গুণ আছিল। এই পৰিৱৰ্তনটোৱেই দেখুৱাই দিয়ে-মিছা প্ৰতিশ্ৰুতি কেনেকৈ লাহে লাহে নৈতিক মানদণ্ড সলনি কৰি পেলাইছে।

এই মিছা সোঁতৰ পৰা ওলাই আহিবলৈ মানুহে শিকিব লাগিব-আশাক অন্ধ নকৰিবলৈ। আশাক মৰমৰ দৰে সুৰক্ষিত কৰি ৰাখিব লাগিব, সকলো শব্দৰ হাতত এৰি নিদিয়াকৈ। লগতে কথা দিয়াৰ আগতে সাহসিকতাৰে "নোৱাৰোঁ" বুলি ক'ব পৰা মানসিকতা গঢ়ি তুলিব লাগিব। "নোৱাৰোঁ" বুলি কোৱাটোও এটা সততাৰ বাক্য; কিন্তু "চাই ল'ম" বুলি দীৰ্ঘদিন অপেক্ষাত ৰাখা এটা নীৰৱ অন্যায়।

শেষত এইটো বুজাটো অতি প্ৰয়োজনীয়-আশাৰ ওপৰত গঢ়ি উঠা প্ৰতিশ্ৰুতি যদি সঁচা নহয়, তেন্তে সেয়া কেৱল এটা মিছা সোঁত। আৰু মিছা সোঁতত বাৰে বাৰে ভাঁহি থাকিলে মানুহে কেৱল গন্তব্য হেৰুৱাই নহয়, নিজৰ ওপৰত থকা বিশ্বাসো হেৰুৱাই পেলায়। সেইবাবে হয়তো আজিৰ সময়ত আটাইতকৈ ডাঙৰ বিপ্লৱ হ'ব-কম কথা কোৱা, কিন্তু যি কথা কোৱা সেয়া সম্পূৰ্ণকৈ পালন কৰা।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মঁহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286